Daily Assam

অষ্টম অধ্যায়

# বস্তুগত ঐতিহ্য

## প্ৰয়োজনীয় তথ্য

আমাৰ পূৰ্বপুৰুষসকলে তেওঁলোকৰ বিভিন্ন কৰ্মৰাজিৰ স্বাক্ষৰ বস্তুগত ৰূপত আমালৈ এৰি থৈ গৈছে যিবোৰ আমাৰ অতীতৰ বুদ্ধি-বৃত্তি, শিল্প-সংস্কৃতি, শাসন ব্যৱস্থা আদিৰ কীৰ্তিস্তম্ভ স্বৰূপ আৰু যিবোৰক লৈ আমি গৌৰৱ কৰিব পাৰো। এইবোৰেই হৈছে আমাৰ বস্তুগত ঐতিহ্য। এই কীৰ্তিচিহ্নবোৰৰ প্ৰতি থকা আমাৰ ভালপোৱা আৰু গৌৰৱবোধে আমাৰ হৃদয়ত স্বদেশ প্ৰেম জাগ্ৰত কৰে আৰু এইবোৰ সংৰক্ষণ কৰিবৰ বাবে আমাক অনুপ্ৰাণিত কৰে।

আমাৰ পূৰ্বপুৰুষসকলে আমালৈ এৰি থৈ যোৱা বস্তুগত ঐতিহ্যসমূহ তলত উল্লেখ কৰা ধৰণে দেখা পাওঁ।

ক) মঠ-মন্দিৰ, দৌল-দেৱালয়, মছজিদ, গুৰুদ্বাৰ ইত্যাদি।

খ) ৰাজপ্ৰাসাদ, ঘৰ-দুৱাৰ

গ) মৈদাম

ঘ) পুখুৰী

ঙ) আলি-পদূলি

চ) শিলা-সাঁকো

ছ) গড়

ওপৰত উল্লিখিত কীৰ্তিচিহ্নসমূহৰ উপৰিও এইবোৰ যুগত লোহাৰে নিৰ্মিত বিয়াগোম বৰতোপ, হেংদাঙ, দা আদি অস্ত্ৰ-শস্ত্ৰ, সোণ-ৰূপৰ অলংকাৰ, বানকাঁহী, বানবাটি, মাইহাং বাটি, বৰকাঁহী, বেৰাকাঁহী, চৰিয়া, ধোঁৱাখোৱা, ভোগজৰা আদি কাঁহ-পিতলৰ বাচন-বৰ্তন, বিভিন্ন মূল্যৰ অসংখ্য সোণ-ৰূপৰ মুদ্ৰা বস্তুগত ঐতিহ্যৰ ৰূপত যাদুঘৰকে ধৰি বিভিন্ন অঞ্চলত সিঁচৰতি হৈ আছে।

## প্ৰাচীন আৰু মধ্যযুগৰ কীৰ্তিচিহ্ন

**(ক) মঠ-মন্দিৰ, দৌল-দেৱালয়, মছজিদ, গুৰুদ্বাৰ ইত্যাদি ঃ**

প্ৰাচীন অসমৰ মঠ-মন্দিৰ, দেৱালয় আদিৰ ভগ্নাৱশেষ স্থাপত্য-ভাস্কৰ্যৰ নিদৰ্শনস্বৰূপে গোৱালপাৰা, গুৱাহাটী, কাছমাৰী, দেওপানী, তেজপুৰ, মালিনীথান, নুমলীগড়, নগাঁও আদি ঠাইত সিঁচৰতি হৈ আছে। এইবোৰ নিৰ্মাণ কৰোতে শিল, ইটা আৰু মাটি ব্যৱহাৰ কৰা হৈছিল। শিলৰ টুকুৰাবোৰত নানা দেৱ-দেৱীৰ মূৰ্ত্তি, গছ-লতা, পশু-পক্ষী আদিৰ ছবি খোদিত কৰা হৈছিল। শিলৰ উপৰিও সোণ, ৰূপ, তাম আৰু পিতলেৰে দেৱ-দেৱীৰ মূৰ্ত্তি তৈয়াৰ কৰা হৈছিল। আমবাৰীৰ দৰে ঠাইত পোৰামাটিৰে নিৰ্মাণ কৰা মূৰ্ত্তিও আৱিষ্কাৰ হৈছে।

ড° ডম্বৰুধৰ নাথৰ মতে, "প্ৰাচীন কালত শিলত কটা মূৰ্ত্তি বা নক্সাবিলাকৰ দুই এটাৰ বাহিৰে বাকীখিনিৰ মসৃণতা উচ্চ মানৰ নহয়। ভাৰতৰ অন্যান্য ঠাইৰ ভাস্কৰ্য-স্থাপত্যৰ আৰ্হিত তৈয়াৰ কৰিলেও এইবোৰে সেই সময়ৰ অসমৰ স্থানীয় ছবিহে দাঙি ধৰে।" (অসম বুৰঞ্জী, পৃষ্ঠা-১০২)

মধ্যযুগৰ অসমৰ মঠ-মন্দিৰ, দ'ল-দেৱালয় আদিত ইটাৰ ব্যাপক ব্যৱহাৰ হ'বলৈ ধৰে। কম পৰিমাণে শিল আৰু পোৰামাটিৰো ব্যৱহাৰ হয়। প্ৰাচীন অসমত চূণচুৰ্কিৰেহে ইটা গঁথা হৈছিল। কিন্তু আহোমৰ ৰাজত্বকালত থলুৱা কৌশলেৰে তৈয়াৰ কৰা 'কৰাল্' নামৰ এবিধ চিমেণ্ট শিল, ইটা গঁথা কামত ব্যৱহাৰ হ'বলৈ ধৰে। মঠ-মন্দিৰ, দ'ল-দেৱালয়ত 'কৰাল্' ব্যৱহাৰ কৰি ভাস্কৰ্য খোদিত শিল, ইটা, টেৰাক'টা (Terracotta) আদি খাঁজি দিয়াৰ ব্যৱস্থা কৰা হয়। বৰা চাউল, গুৰ, বৰালি মাছ, মাটিমাহ, শিলচূণ, ধূনা, শামুকচূণ, চকাচূণ, মিঠা তেল, হাঁহকণী আদি মিশ্ৰণ কৰি এই কৰাল্ প্ৰস্তুত কৰা হৈছিল।

অসমত থকা বৰ্তমানৰ ভাস্কৰ্যৰ অৱশেষৰ অধিকাংশই আহোম যুগৰ বুলি ক'ব পাৰি।

প্ৰাচীন আৰু মধ্যযুগৰ অসমৰ বস্তুগত ঐতিহ্যসমূহৰ এটি চমু আভাস এই অধ্যায়ত দাঙি ধৰা হ'ল।

Daily Assam



**কামাখ্যা মন্দিৰঃ**

কামাখ্যা মন্দিৰ হৈছে প্ৰাচীন অসমৰ অতি মহত্বপূৰ্ণ শক্তিপীঠ আৰু ভাৰতৰ ৫১ খন পৱিত্ৰ পীঠৰ অন্যতম। এই মন্দিৰ গুৱাহাটীৰ পশ্চিমে থকা নীলাচল পাহাৰত অৱস্থিত। এই ঠাইতে ভগৱান বিষ্ণুৱে সুদৰ্শন চক্ৰৰে কাটি খণ্ড-বিখণ্ড কৰা সদাশিৱৰ পত্নী সতীৰ জননাংগ পৰিছিল আৰু কামাখ্যা মন্দিৰ সৃষ্টি হৈছিল বুলি এক আখ্যান আছে। অন্য এক আখ্যান মতে কামাখ্যা মন্দিৰ আৰু শিলৰ খটখটী প্ৰাগ্‌জ্যোতিষৰ ৰজা নৰকাসুৰে নিৰ্মাণ কৰাইছিল।



কামাখ্যা মন্দিৰ

বুৰঞ্জীত পূৰ্বৰ মন্দিৰটো গৌড়ৰ চুলেমান কৰৰানিৰ সেনাপতি কালাপাহাৰে ধ্বংস কৰিছিল বুলি পোৱা যায়। অৱশ্যে এই কালাপাহাৰজনৰ পৰিচয় সম্পৰ্কে বিভিন্ন মত পোৱা যায়। পৰৱৰ্তীকালত কোঁচ ৰজা নৰনাৰায়ণে (খ্ৰীঃ ১৫৪০-১৫৮৭) ১৫৬৫ খ্ৰীঃত এই মন্দিৰ তেওঁৰ প্ৰধান কাৰিকৰ 'মেঘামুকদুম'ৰ হতুৱাই পুনৰ নিৰ্মাণ কৰোৱায়। মন্দিৰত ব্যৱহৃত ইটাবোৰ পাগত দি পুনৰ ঘিউত ভাজি লৈছিল বুলি 'দৰঙ্গ ৰাজবংশাৱলী'ত উল্লেখ আছে। মন্দিৰটোৱে কোচৰাজ্যৰ স্থপতি-কাৰিকৰৰ নিপুনতাৰ পৰিচয় দাঙি ধৰে।

কামাখ্যা মন্দিৰত আহোম স্বৰ্গদেউ ৰাজেশ্বৰ সিংহ (খ্ৰীঃ ১৭৫১-১৭৬৯) আৰু গৌৰীনাথ সিংহৰ (খ্ৰীঃ ১৭৮০-১৭৯৪) তামৰ ফলি আছে। মন্দিৰৰ ভিতৰলৈ সোমোৱা প্ৰৱেশদ্বাৰত কোচৰজা নৰনাৰায়ণ আৰু তেওঁৰ ভ্ৰাতৃ চিলাৰায়ৰ শৈলমূৰ্ত্তি আছে। কামাখ্যা মন্দিৰৰ আশে-পাশে ভৈৰৱ মূৰ্ত্তি, পদুম ফুল, সিংহ আদিৰ নক্সা, বিষ্ণু, শিৱ-পাৰ্বতী, কাৰ্তিক, গণেশ, গন্ধৰ্ব আদিৰ ভাস্কৰ্য্য আছে।

কামাখ্যা মন্দিৰত প্ৰতিবছৰে মহাসমাৰোহেৰে উদ্‌যাপিত হোৱা পূজা আৰু মেলাসমূহৰ ভিতৰত অম্বুবাচী মেলায়েই সবাতোকৈ বিখ্যাত। আহাৰ মাহৰ সাত তাৰিখৰ পৰা দহ তাৰিখলৈ আই বসুমতী শস্য-সম্ভৱা হ'বৰ বাবে ঋতুমতী হয় বুলি এক প্ৰাচীন লোকবিশ্বাস আছে। এই সময়তে প্ৰকৃতিৰ উৰ্বৰা শক্তিৰ আধাৰস্বৰূপা কামাখ্যা দেৱীও ঋতুমতী হয় বুলি বিশ্বাস কৰা হয়। এই উপলক্ষে কামাখ্যাধামত মহাসমাৰোহেৰে অম্বুবাচী উৎসৱ পালন কৰা হয়। অম্বুবাচী কেইদিন কামাখ্যা মন্দিৰৰ দুৱাৰ বন্ধ থাকে। অম্বুবাচীৰ নিবৃত্তিৰ লগে লগে দৰ্শনাৰ্থীৰ বাবে মন্দিৰৰ দুৱাৰ খুলি দিয়া হয়। এই সময়তে কামাখ্যাত এক বিশাল মেলাও অনুষ্ঠিত হয়; সেয়াই অম্বুবাচী মেলা। মেলাৰ কেইদিন অগণন লোকৰ সমাৰেশ ঘটে। প্ৰতিদিনে দেশ-বিদেশৰ হেজাৰ-বিজাৰ লোকে কামাখ্যা মন্দিৰ দৰ্শন কৰে।

**উমানন্দ মন্দিৰ ঃ**

মহাদেৱ শিৱই পত্নী উমাক আনন্দ দিবৰ বাবে উমানন্দ নামৰ শৈল দ্বীপত বিৰাজমান হৈ থাকে। এই শৈলদ্বীপটো গুৱাহাটী মহানগৰৰ উত্তৰে ব্ৰহ্মপুত্ৰৰ মাজতে অৱস্থিত। আখ্যান মতে মহাদেৱ শিৱই তেওঁৰ কপালত থকা তৃতীয়টো নয়নৰ পৰা ওলোৱা অগ্নিৰে কামদেৱক ভষ্ম কৰিছিল বাবেই এই দ্বীপৰ অন্য নাম ভষ্মশৈল। ব্ৰিটিছে এই দ্বীপটোক দেখিবলৈ ম'ৰা চৰাইৰ নিচিনা বুলি কৈ 'ময়ূৰ দ্বীপ' (Peacock Island) নাম দিছিল। উমানন্দ দ্বীপক অসমৰ দুই প্ৰাচীন গ্ৰন্থ 'কালিকা পুৰাণ' আৰু 'যোগিনীতন্ত্ৰ'ত 'ভষ্মাচল', 'ভষ্মকূট' আৰু 'ভষ্মশৈল' - এই তিনিটা নামেৰে পোৱা যায়।



ব্ৰহ্মপুত্ৰৰ বুকুত উমানন্দ মন্দিৰৰ তোৰণ

উমানন্দ দ্বীপত থকা মন্দিৰটো আহোম স্বৰ্গদেউ গদাধৰ সিংহই (খ্ৰীঃ ১৬৮১-১৬৯৬) গড়গঞা সন্দিকৈ বৰফুকনৰ দ্বাৰা নিৰ্মাণ কৰাইছিল। মন্দিৰত স্বৰ্গদেউ গদাধৰ সিংহৰ ১৬১৬ শকৰ এখন ফলি আছে। তদুপৰি স্বৰ্গদেউ শিৱসিংহই (খ্ৰীঃ ১৭১৪-৪৪) উপহাৰ দিয়া ৰূপৰ বৃষভ বাহন চলন্তা মূৰ্ত্তিৰ সিংহাসনৰ চাৰিওফালে এখন লিপি আছে। শিৱৰাত্ৰিৰ দিনা উমানন্দত ডাঙৰ উৎসৱ হয়। প্ৰতিদিনে শ শ দৰ্শনাৰ্থীয়ে উমানন্দ মন্দিৰ দৰ্শন কৰে।

**বশিষ্ঠাশ্ৰম ঃ**

গুৱাহাটী মহানগৰৰ দক্ষিণে সন্ধ্যাচল পৰ্বতত সন্ধ্যা, ললিতা আৰু কান্তা এই তিনি জলস্ৰোতৰ সংগমস্থলীতেই বশিষ্ঠাশ্ৰম আৰু বশিষ্ঠমুনিৰ মন্দিৰ অৱস্থিত। আখ্যান মতে বশিষ্ঠ মুনি আছিল ব্ৰহ্মাৰ মানস পুত্ৰ। তেওঁ সূৰ্য্যবংশী নিমি ৰজাৰ শাপত দেহহীন হৈ ব্ৰহ্মাৰ শৰণাপন্ন হয় আৰু ব্ৰহ্মাৰ উপদেশমতে মুনিয়ে এই সন্ধ্যাচল পৰ্বততে তপস্যা কৰি বিষ্ণুক সন্তুষ্ট কৰি বৰ লাভ কৰে আৰু নিজ তপোবলেৰে সন্ধ্যা, ললিতা আৰু কান্তা এই তিনিধাৰাৰে গংগাক নমাই আনে। এই তিনি ধাৰাৰ সংগমস্থলকে বশিষ্ঠ-গংগা বুলি কোৱা হয়। এই সংগমস্থলতে গা ধুই আৰু পানী খাই বশিষ্ঠই নিজৰ পূৰ্বৰ শৰীৰ লাভ কৰে। মুনি বশিষ্ঠই এই সংগম স্থলত ত্ৰিসন্ধ্যা স্নান কৰিছিল; গতিকে ইয়াত স্নান কৰিলে সন্ধ্যা পতিত হোৱা পাপৰ পৰা মুক্ত হয় বুলি লোক-বিশ্বাস চলি আহিছে।

এই স্থানতে থকা বশিষ্ঠ মন্দিৰটো আহোম স্বৰ্গদেউ ৰাজেশ্বৰ সিংহৰ ৰাজত্ব কালত (খ্ৰীঃ ১৭৫১-৬৯) নিৰ্মিত। মন্দিৰৰ গাত থকা শিলালিপিখন স্বৰ্গদেউ ৰাজেশ্বৰ সিংহৰ ৰাজত্ব কালৰ। মন্দিৰৰ অভ্যন্তৰত বশিষ্ঠ মুনিৰ পদচিহ্ন আছে বুলি বিশ্বাস কৰা হয়। চন্দ্ৰ আৰু সূৰ্য্য গ্ৰহণৰ সময়ত সন্ধ্যা, ললিতা, কান্তাৰ সংগমস্থলত স্নান কৰিবলৈ অগণন ভক্তৰ আগমন ঘটে।

## অশ্বক্লান্ত মন্দিৰ ঃ

ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে উত্তৰ গুৱাহাটীৰ মাজগাঁও অঞ্চলত অৱস্থিত অশ্বক্লান্ত বা অশ্বক্ৰান্ত মন্দিৰ। এই মন্দিৰৰ সৈতে কেইবাটাও আখ্যান জড়িত হৈ আছে। এটা আখ্যান মতে শ্ৰীকৃষ্ণই বিদৰ্ভ ৰাজ্যৰ পৰা ৰাজকুমাৰী ৰুক্মিণীক হৰণ কৰি দ্বাৰকালৈ লৈ যাওঁতে ইয়াতে তেওঁৰ ৰথৰ ঘোঁৰা ক্লান্ত হৈছিল। আন এটা আখ্যান মতে শ্ৰীকৃষ্ণই প্ৰাগ্‌জ্যোতিষৰ ৰজা নৰকাসুৰক বধ কৰা সময়ত যি ঠাইত তেওঁৰ ৰথৰ ঘোঁৰা ক্লান্ত হৈছিল সেই ঠায়েই অশ্বক্লান্ত নামেৰে পৰিচিত হয়।



অশ্বক্লান্ত মন্দিৰৰ একাংশ

অশ্বক্লান্ত পাহাৰত দুটা মন্দিৰ আছে; ইয়াৰে পাহাৰৰ নামনিত থকা মন্দিৰটো কূৰ্ম জনাৰ্দন মন্দিৰ। ইয়াত ভগৱান বিষ্ণুৰ কূৰ্ম অৱতাৰৰ বিগ্ৰহ আছে। আনটো মন্দিৰ পাহাৰৰ ওপৰত আছে আৰু এইটো হ'ল অনন্তশয্যাত শয়ন কৰা বিষ্ণুৰ মন্দিৰ। এই মন্দিৰটো আহোম স্বৰ্গদেউ শিৱসিংহই (খ্ৰীঃ ১৭১৪-৪৪) নিৰ্মাণ কৰাইছিল। মন্দিৰৰ গাত স্বৰ্গদেউ শিৱসিংহৰ এখন শিলালিপি আছে আৰু বিষ্ণুৰ দশাৱতাৰ মূৰ্তি আছে। অশোকাষ্টমীত এই ঠাইতেই ব্ৰহ্মপুত্ৰত স্নান কৰিবলৈ বহু লোকৰ সমাগম হয়।


## নৱগ্ৰহ মন্দিৰ ঃ

গুৱাহাটীৰ চিত্ৰাচল নামৰ পাহাৰটোত নৱগ্ৰহ মন্দিৰটো অৱস্থিত। মন্দিৰত সূৰ্যক কেন্দ্ৰ কৰি এই নটা গ্ৰহৰ ভাস্কৰ্য থকাৰ বাবেই মন্দিৰটোৰ নাম নৱগ্ৰহ মন্দিৰ। এই মন্দিৰ উপাসনাৰ এক কেন্দ্ৰ হোৱাৰ লগতে প্ৰাচীন কামৰূপৰ জ্যোতিষ চৰ্চাৰো এক প্ৰখ্যাত কেন্দ্ৰ আছিল। আখ্যান মতে সৃষ্টিকৰ্তা ব্ৰহ্মাই এই ঠাইতেই পোনতে গ্ৰহ নক্ষত্ৰ সৃষ্টি কৰিছিল আৰু সেই বাবেই দেশখনৰে নাম প্ৰাগ্‌জ্যোতিষ হয়।

নৱগ্ৰহৰ প্ৰাচীন মন্দিৰটো কোনে নিৰ্মাণ কৰিছিল জনা নাযায়। মন্দিৰটো আহোম স্বৰ্গদেউ ৰাজেশ্বৰ সিংহই (খ্ৰীঃ ১৭৫১-১৭৬৯) পুনৰ নিৰ্মাণ কৰাইছিল। মন্দিৰৰ গাত ৰাজেশ্বৰ সিংহৰ এখন শিলালিপি আছে। নৱগ্ৰহ মন্দিৰলৈ দৈনিক শ শ দৰ্শনাৰ্থীৰ আগমন ঘটে।

## মদন-কামদেৱ দেৱালয় ঃ

উত্তৰ গুৱাহাটীৰ মদনাচল বা দিবানগিৰিত মদন-কামদেৱ দেৱালয় অৱস্থিত। পুৰাতত্ত্ববিদসকলৰ মতে দেৱালয়ৰ প্ৰতিষ্ঠা কাল আনুমানিক একাদশ-দ্বাদশ শতিকা অৰ্থাৎ কামৰূপৰ পাল বংশৰ



মদন-কামদেৱ দেৱালয়

Daily Assam



ৰজাসকলৰ সময়ৰ। ইয়াত মন্দিৰৰ গাত শিৱ, উমা, আদি দেৱ-দেৱী, সিংহ আদি বিভিন্ন জন্তু, মৈথুনৰত নৰ-নাৰীৰ মূৰ্ত্তি, শিৱলিংগ, অপৰিচিত দেৱ-দেৱী আদিৰ মূৰ্ত্তি আৱিষ্কৃত হৈছে।

বিষয়-বস্তু আৰু ভাস্কৰ্য্যশৈলীৰ পিনৰ পৰা মদন-কামদেৱ দেৱালয়ৰ বহু মূৰ্ত্তি মধ্যপ্ৰদেশৰ খাজোৰাহো মন্দিৰৰ সৈতে সাদৃশ্য থকা। আহোম স্বৰ্গদেউ শিৱসিংহই (খ্ৰীঃ ১৭১৪-৪৪) এই দেৱালয়টো পুনৰ নিৰ্মাণ কৰিছিল। এই দেৱালয়ত প্ৰতি বছৰে 'মদন ত্ৰয়োদশী' বা 'কাম ত্ৰয়োদশী' উৎসৱ পালন কৰা হয়। দৈনিক এই দেৱালয়ত অনেক দৰ্শনাৰ্থীৰ সমাগম ঘটে।

### হয়গ্ৰীৱ-মাধৱ মন্দিৰঃ

ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে হাজোৰ মনিপৰ্বত বা মনিকূট পাহাৰত হয়গ্ৰীৱ-মাধৱ মন্দিৰ অৱস্থিত। এক আখ্যান মতে, হয়গ্ৰীৱ-মাধৱ মন্দিৰৰ প্ৰতিষ্ঠাতা আছিল ঔৰ্বঋষি। ঔৰ্বঋষিৰ তপস্যা ভংগকাৰী অসুৰগণক ভগৱান বিষ্ণুৱে হয়গ্ৰীৱ-মাধৱ ৰূপধৰি বধ কৰিছিল। অসুৰ বধৰ পিছত বিষ্ণুৱে হয়গ্ৰীৱ (হয় ঃ ঘোঁৰা; গ্ৰীৱ ঃ ডিঙি) অৰ্থাৎ ঘোঁৰাৰ দৰে ৰূপতেই মনিকূট পাহাৰত স্থিতি গ্ৰহণ কৰে। ঔৰ্বঋষিয়ে যি ঠাইত বিষ্ণুক আৰাধনা কৰিছিল সেই ঠাইতেই হয়গ্ৰীৱ-মাধৱৰ মন্দিৰৰ সৃষ্টি হয়। আন এক আখ্যান মতে, ভগৱান বিষ্ণুৰ মহানিদ্ৰাৰ সময়ত তেওঁৰ শৰীৰৰ পৰা মধু আৰু কৈটভ নামৰ দুটা অসুৰ জন্ম হৈ সিহঁতে সৃষ্টিকৰ্তা ব্ৰহ্মাৰ পৰা বেদশাস্ত্ৰ কাঢ়ি লৈ যায়। তেতিয়া ব্ৰহ্মাই সিহঁতৰ হাতৰ পৰা বেদশাস্ত্ৰ উদ্ধাৰ কৰিবলৈ বিষ্ণুক আৰাধনা কৰাত বিষ্ণুৱে হয়গ্ৰীৱ-মাধৱ ৰূপ ধৰি দুই অসুৰক বধ কৰি বেদশাস্ত্ৰ উদ্ধাৰ কৰে আৰু একে ৰূপতে মণিকূট পাহাৰত অৱস্থান কৰে।

বৰ্তমানৰ হয়গ্ৰীৱ-মাধৱ মন্দিৰটো কোচ হাজোৰ ৰজা ৰঘুদেৱে পুনৰ নিৰ্মাণ কৰিছিল। মন্দিৰৰ ভিতৰত কোচ ৰজা ৰঘূদেৱৰ লগতে আহোম ৰজা প্ৰমত্ত সিংহ (খ্ৰীঃ ১৭৪৪-১৭৫১) আৰু কমলেশ্বৰ সিংহৰ (খ্ৰীঃ ১৭৯৫-১৮১১) ফলি আছে। মন্দিৰৰ প্ৰাংগণৰ ফাকুৱা দ'লটো আহোম স্বৰ্গদেউ প্ৰমত্ত সিংহৰ দিনত নিৰ্মাণ কৰা।

হয়গ্ৰীৱ-মাধৱ মন্দিৰৰ গৰ্ভগৃহত থকা বিগ্ৰহকেইটা হ'ল - শুভ্ৰবসনৰ বুঢ়া মাধৱ, হয়গ্ৰীৱ-মাধৱ, চলন্তা মাধৱ, বাসুদেৱ আৰু গৰুড়পক্ষী। তদুপৰি মন্দিৰত হনুমান, বিষ্ণুৰ দশাৱতাৰ, বিভিন্ন দেৱ-দেৱীৰ মূৰ্ত্তিৰ লগতে মন্দিৰৰ আশে-পাশে সিংহমূৰ্ত্তি থকা স্তম্ভকে ধৰি কিছুমান শৈল ভাস্কৰ্য দেখা যায়।

হয়গ্ৰীৱ-মাধৱ মন্দিৰটো বৌদ্ধধৰ্মী সকলৰ বাবেও তীৰ্থস্থান। ইয়াতেই বুদ্ধদেৱৰ মহাপৰিনিৰ্বাণ ঘটিছিল বুলি বিশ্বাস কৰা হয়। তিব্বত, ভূটান আৰু অন্যান্য অঞ্চলৰ পৰাও বৌদ্ধ ধৰ্মাৱলম্বীসকল হয়গ্ৰীৱ-মাধৱ মন্দিৰলৈ আহে। দৈনিক শ শ লোকে হয়গ্ৰীৱ-মাধৱ মন্দিৰ দৰ্শন কৰে।

### পোৱা মক্কা ঃ

হাজোৰ সৰ্ব্বোচ্চ গৰুড়াচল পাহাৰৰ শিখৰত অৱস্থিত পোৱা মক্কা মুছলমানসকলৰ পবিত্ৰ তীৰ্থস্থান। গৰুড়াচল পাহাৰ আৰু পোৱামক্কা সম্পৰ্কে অনেক জনশ্ৰুতি আছে। পাহাৰটোত ভগৱান বিষ্ণুৰ বাহন গৰুড় পক্ষীয়ে খাদ্য গ্ৰহণ কৰিছিল বুলি এক জনশ্ৰুতি আছে। অন্য এক জনশ্ৰুতিমতে জেঠ মাহৰ পূৰ্ণিমা তিথিত গৰুড়পক্ষী অচল হৈ এই পাহাৰত

জিৰণি লৈছিল বাবেই পাহাৰটোৰ নাম গৰুড়াচল হয়।

পোৱামক্কা প্ৰতিষ্ঠা কৰিছিল সিদ্ধপুৰুষ গিয়াছউদ্দিন আউলিয়াই। অৱশ্যে এই সন্ত গৰাকীৰ পৰিচয় সম্পৰ্কেও বিভিন্ন মত পোৱা যায়।



হাজোৰ পোৱা মক্কা

সেই দৰে পোৱামক্কা নামটোৰ উৎপত্তিৰ আঁৰতো কেইবাটাও জনশ্ৰুতি আছে। এটাৰ মতে, প্ৰতিষ্ঠাপক সন্ত গিয়াছউদ্দিন আউলিয়াই পোৱামক্কা স্থাপন কৰোতে অতি পৱিত্ৰ তীৰ্থভূমি মক্কাৰ পৰা এপোৱা পৱিত্ৰ মাটি আনি ইয়াৰ মাটিৰ সৈতে মিহলি কৰি দিছিল বাবেই এই পোৱামক্কা নামটো হৈছিল। আন এটা জনশ্ৰুতি মতে, পোৱামক্কা দৰ্শন কৰিলে মুছলমানসকলৰ অতি পৱিত্ৰ তীৰ্থস্থান মক্কা দৰ্শনৰ এক-চতুৰ্থাংশ পুণ্য অৰ্জন হয় বুলি বিশ্বাস কৰা হয় বাবেই এই স্থানক পোৱামক্কা বোলা হয়। পোৱামক্কাত সন্ত গিয়াছউদ্দিন আউলিয়াৰ সমাধিৰ লগতে এটা মছজিদ আছে। তেৱেঁই পোৱামক্কাত প্ৰথম মছজিদ সজাইছিল বুলি বিশ্বাস কৰা হয়। পোৱামক্কালৈ জাতি-ধৰ্ম নিৰ্বিশেষে অগণন তীৰ্থযাত্ৰীৰ আগমন হয় আৰু পোৱামক্কাক কৰি তোলে এক মহামিলনৰ তীৰ্থভূমি।

**আজানপীৰ দৰগাহ ঃ**

আজানপীৰ দৰগাহ মুছলমানসকলৰ এক পৱিত্ৰ ধৰ্মস্থান। সুদূৰ মধ্যপ্ৰাচ্যৰ বাগদাদৰ চাহ মিৰাণে ডেকা বয়সতে ভ্ৰাতৃ নবীসহ কেইগৰাকীমান ধৰ্মপ্ৰাণক লগত লৈ অসমলৈ আহিছিল ইছলাম ধৰ্মৰ পৱিত্ৰ বাণী প্ৰচাৰ কৰিবলৈ। তেওঁ লগৰীয়াসকলৰ সৈতে খাইবাৰ গিৰিপথেদি ভাৰতত প্ৰৱেশ কৰি প্ৰথমে আজমীৰত কিছুদিন থাকি গৌড় দেশেদি অসমলৈ আহি হাজোত থাকেহি। তাৰ পিছত তেওঁ আহোম ৰাজ্যৰ ৰাজধানী গড়গাঁৱৰ সমীপৱৰ্তি চুণপোৰাত থাকিবলৈ লৈ তাতে এটা মছজিদ সাজি ইছলাম ধৰ্মৰ ৰীতি মতে ‘আজান’ দি থলুৱা মুছলমানসকলক নামাজৰ বাবে আহ্বান জনায় আৰু লগতে গাঁৱে-ভূঞে গীত-মাতেৰে মানুহৰ মন আল্লাৰ প্ৰতি আৰু আধ্যাত্মিকতাৰ প্ৰতি আকৰ্ষণ কৰিবলৈ প্ৰচেষ্টা চলায়। এই দুই মহৎ কাৰ্যৰ বাবে তেওঁক স্থানীয় জনসাধাৰণে ‘আজান ফকীৰ’ নাম দিয়ে।

আজান ফকীৰে কম সময়ৰ ভিতৰতে অসমীয়া ভাষা আয়ত্ত কৰি সমকালীন অসমৰ বৈষ্ণৱ ধৰ্মৰ ৰীতি-নীতি, গীত-মাত আদিও আয়ত্ব কৰি সেইবিলাকৰ ছন্দ আৰু লয়ত পৱিত্ৰ কোৰানৰ বাণীসমূহ গীত হিচাপে ৰচনা কৰি অনাখৰী লোকসকলৰ মাজত প্ৰচাৰ কৰিবলৈ ধৰে। এই ধৰ্মীয় স্তুতিগীতসমূহেই হ’ল ‘জিকিৰ’। অচিৰেই এই গীতসমূহ হিন্দু-মুছলমান উভয়ৰে মাজত জনপ্ৰিয় হৈ উঠে।

প্ৰচলিত কাহিনী অনুযায়ী আজান ফকীৰৰ এনে তাৎক্ষণিক জনপ্ৰিয়তা সহ্য কৰিব নোৱাৰি আহোম স্বৰ্গদেউৰ মুছলমান ৰাজবিষয়া ৰূপাই দাধৰাই

স্বৰ্গদেউক ফকীৰৰ বিৰুদ্ধে মোগলৰ গুপ্তচৰ বুলি মিছাকৈ অভিযোগ দিয়ে। স্বৰ্গদেৱৰ নিৰ্দেশত আজান ফকীৰৰ চকু কাঢ়ি চকুদুটা দিখৌ নৈত পেলাই দিয়া হয়। এই ঘটনা ঘটাৰ পিছতে দিখৌ নৈ উভতি ব'বলৈ ধৰে আৰু ৰাজধানী পানীত বুৰ গৈ হোলোংঘৰো কাটি হৈ যায়। কিন্তু আজান ফকীৰে কোৰান পাঠ কৰা ঠাইডোখৰ পানীত বুৰ নগ'ল। স্বৰ্গদেৱে তেতিয়া আজান ফকীৰৰ মহিমা বুজিব পাৰি তেওঁক দিখৌ-দৰিকা-ব্ৰহ্মপুত্ৰৰ সংগমস্থলত থকা সৰাগুৰি চাপৰিত মাটি-ভেটি দান দি এটি মঠ নিৰ্মাণ কৰি দিয়ে।

দিখৌ নৈৰ কাষৰি সৰাগুৰি চাপৰি
ৰজাই সজাই দিলে মঠ
ছকুৰি ভকতে লয় আল্লাৰ নাম
মাদুৰি বনৰে কঠ।

মৃত্যুৰ পাছত আজান ফকীৰক এই মঠৰ কাষতে সমাধিস্থ কৰা হয়। বৰ্তমান শিৱসাগৰ জিলাৰ অন্তৰ্গত এই সৰাগুৰি চাপৰিৰ আজানপীৰ দৰগাহ এক পুণ্যভূমি হোৱাৰ উপৰিও অসমৰ গুৰুত্বপূৰ্ণ ঐতিহাসিক আৰু ধৰ্মীয় পৰ্যটন ক্ষেত্ৰ।

### শ্ৰীসূৰ্য পাহাৰ ঃ

প্ৰাক্-আহোম যুগৰ ভাস্কৰ্যৰ উল্লেখযোগ্য নিদৰ্শন হ'ল গোৱালপাৰা নগৰৰ ওচৰতে অৱস্থিত শ্ৰীসূৰ্য পাহাৰৰ শৈল ভাস্কৰ্য।

এই পাহাৰৰ দক্ষিণ দিশলৈ এটা শিলৰ চক্ৰাকৃতি ভাস্কৰ্য আছে আৰু এই ভাস্কৰ্যটোকেই সূৰ্যৰ প্ৰতীক বুলি ধৰা হয় বাবেই পাহাৰটোৰ নাম শ্ৰীসূৰ্য পাহাৰ। ইয়াত সৰু-বৰ সাতটা পাহাৰ থকা বাবে 'সাতালি পাহাৰ' নামেও জনা যায়।

পাহাৰটোত অনেক শিলত কটা মূৰ্ত্তি, স্তূপ, শিৱলিংগ আদি পোৱা গৈছে। ইটাৰে নিৰ্মিত বেৰৰ এক বহুকোঠালীয়া গৃহৰ ধ্বংসাৱশেষো আৱিষ্কাৰ হৈছে। তদুপৰি হিন্দু দেৱ-দেৱীৰ লগতে বৌদ্ধ আৰু জৈন মূৰ্ত্তিও পোৱা গৈছে। পাহাৰটোৰ নিচেই কাষৰ নিজৰা এটাৰ পাৰত বিষ্ণু আৰু শিৱ মূৰ্ত্তিৰ লগতে আন কেইবাটাও মূৰ্ত্তি আৱিষ্কাৰ হৈছে। পাহাৰটোত থকা সবাতোকৈ ধুনীয়া মূৰ্ত্তিটো হ'ল এটা শিলত এপাহ পদুম ফুলৰ ওপৰত দুফালে দুডাল ত্ৰিশূলৰ সৈতে বাৰখন হাতৰ মূৰ্ত্তিটো। শ্ৰীসূৰ্য পাহাৰৰ ভাস্কৰ্য অষ্টম শতিকা মানৰ বুলি পণ্ডিতসকলে অনুমান কৰিছে। ইয়াৰে কিছুমান বৌদ্ধ স্মৃতিচিহ্ন ততোধিক আগৰ বুলিও অনুমান কৰা হৈছে।



*শ্ৰীসূৰ্য পাহাৰৰ ভাস্কৰ্যৰ একাংশ*

শ্ৰীসূৰ্য পাহাৰৰ প্ৰধান আকৰ্ষণ হৈছে শিলত কটা গুহাসমূহৰ শৈল ভাস্কৰ্য; এই গুহা-ভাস্কৰ্যৰ বাবেই এই পাহাৰ জনাজাত।

পাহাৰটোৰ চেপাশিল নামৰ গুহাটোত পোৱা মূৰ্ত্তিবোৰৰ ভিতৰত এটা গণেশৰ আৰু আনটোক চন্দ্ৰৰ মূৰ্ত্তি বুলি চিনাক্ত কৰা হৈছে। এই পাহাৰত থকা 'ন' ফুট দৈৰ্ঘ্যৰ শিৱলিংগটোৱেই হৈছে সৰ্ববৃহৎ। সেইদৰে

বিভিন্ন কাৰুকাৰ্যখচিত এখন শিলৰ বেদী মনোমোহা ভাস্কৰ্যৰ স্বাক্ষৰ। শ্ৰীসূৰ্য পাহাৰত প্ৰতিদিনে অনেক দৰ্শনাৰ্থীৰ সমাগম হয়।

### ধুবুৰীৰ শিখ গুৰুদ্বাৰ ঃ

ধুবুৰীনগৰৰ দক্ষিণ-পূব দিশত এই শিখ গুৰুদ্বাৰ অৱস্থিত। এই গুৰুদ্বাৰ প্ৰতিষ্ঠা কৰিছিল নৱম শিখ গুৰু টেগ বাহাদুৰে। মোগল সম্ৰাট ঔৰংজেৱৰ (খ্ৰীঃ ১৬৫৮-১৭০৭) ৰাজপুত সেনাপতি ৰামসিংহৰ



ধুবুৰীৰ শিখ গুৰুদ্বাৰ

অসম অভিযানৰ সৈতে শিখগুৰু টেগ বাহাদুৰো আহিছিল। অভিযানৰ সৈন্যদলে ধুবুৰীত চাউনি পাতি থাকোঁতে মহাবাহু ব্ৰহ্মপুত্ৰকে ধৰি চৌদিশৰ প্ৰাকৃতিক সৌন্দৰ্যই শিখ গুৰুগৰাকীক মোহিত কৰাত সেই ঠাইতেই তেওঁ এই গুৰুদ্বাৰৰ ভেটি স্থাপন কৰে। পৰৱৰ্তীকালত এই ভেটিতেই বৰ্তমানৰ গুৰুদ্বাৰটো নিৰ্মাণ কৰা হয়। এই গুৰুদ্বাৰ শিখ ধৰ্মাৱলম্বীসকলৰ এক পৱিত্ৰ তীৰ্থস্থান।

### তেজপুৰৰ মন্দিৰৰ ভগ্নাৱশেষ ঃ

বানৰজা, ঊষা-অনিৰুদ্ধৰ প্ৰেম কাহিনী, হৰি-হৰৰ যুদ্ধ আদি অনেক প্ৰাচীন কাহিনীৰ সৈতে জড়িত তেজপুৰৰ মাজ-মজিয়াতে আৱিষ্কৃত হৈছে শিলেৰে নিৰ্মিত প্ৰাচীন মন্দিৰৰ ভগ্নাৱশেষ। ইয়াৰে এটা শিৱ মন্দিৰ, আনটো সূৰ্য মন্দিৰ আৰু তৃতীয়টো অচিনাক্ত এক শৈল মন্দিৰ। এই মন্দিৰকেইটাত শিৱ লিংগ, শিৱ, ব্ৰহ্মা, গনেশ, সূৰ্য, নাৰী-পুৰুষৰ মূৰ্ত্তি, সিংহ, হাতী, ফুল-লতা আৰু অন্যান্য মনোমোহা শৈল-ভাস্কৰ্যসমূহ খোদিত হৈ আছে।

### বামুনী পাহাৰ ঃ

বামুনী পাহাৰটো তেজপুৰ নগৰৰ পৰা পূবলৈ ব্ৰহ্মপুত্ৰৰ পাৰত অৱস্থিত। এই পাহাৰটোত আৱিষ্কৃত হৈছে সাতটা প্ৰাচীন মন্দিৰৰ ভগ্নাৱশেষ যিবোৰ খ্ৰীষ্টীয় অষ্টম-নৱম শতিকামানৰ বুলি পণ্ডিতসকলে অনুমান কৰিছে। এই মন্দিৰকেইটা বিষ্ণু, শিৱ আদি দেৱতাৰ আছিল। ভগ্নাৱশেষবোৰত শিলৰ দুৱাৰ-খিৰিকী, প্ৰৱেশদ্বাৰ আদিৰ উপৰিও বিভিন্ন শিলাখণ্ডত ফুল-লতা, মানৱ মূৰ্ত্তি, বাঘ, ঘঁৰিয়াল, হাতীৰ ওপৰত আৰোহণ কৰা সিংহ আদিৰ মূৰ্ত্তি খোদিত কৰা আছে। এচটা শিলত বিষ্ণুৰ নৰসিংহ, পৰশুৰাম, বৰাহ, ৰাম আদি অৱতাৰৰ লগতে বলৰামৰ মূৰ্ত্তিও খোদিত কৰা আছে। অন্যান্য শৈলমূৰ্ত্তিবোৰৰ ভিতৰত নটৰাজ, দুৰ্গা দেৱী, গণেশ, নৰমুণ্ডসহ দেৱীমূৰ্ত্তি উল্লেখযোগ্য।

### দ-পৰ্বতীয়াৰ ভগ্নাৱশেষ ঃ

তেজপুৰৰ সমীপৱৰ্তী দ-পৰ্বতীয়াত আৱিষ্কৃত স্থাপত্য-ভাস্কৰ্য প্ৰাচীন অসমৰ অন্যতম শ্ৰেষ্ঠ শিল্প কলাৰ নিদৰ্শন। পণ্ডিতসকলে এই স্থাপত্য-ভাস্কৰ্যসমূহ খ্ৰীষ্টীয় পঞ্চম শতিকামানৰ বুলি অনুমান কৰিছে।

Daily Assam



দ-পৰ্বতীয়াৰ ভগ্নাৱশেষ (প্ৰৱেশদ্বাৰ)

দ-পৰ্বতীয়াৰ শৈল মন্দিৰৰ প্ৰৱেশদ্বাৰখনেই ভাস্কৰ্যশিল্পৰ বাবে বিখ্যাত। দেৱী গংগা-যমুনাৰ উপৰিও সূৰ্য দেৱতা, গৰুড় পক্ষী, উৰণীয়া হাঁহ, নৰ-নাৰীৰ মূৰ্ত্তি, ফুল, লতা, আদিৰ অপৰূপ ভাস্কৰ্য এই শৈল প্ৰৱেশদ্বাৰত খোদিত কৰা আছে। আন শৈল মূৰ্ত্তিসমূহৰ ভিতৰত বিষ্ণু, হৰ-গৌৰী, শিৱ আদিৰ মূৰ্ত্তিয়েই প্ৰধান। দ-পৰ্বতীয়াত প্ৰতিদিনে অনেক দৰ্শনাৰ্থীৰ সমাগম হয়।

### মহাভৈৰৱ মন্দিৰ ঃ

মহাভৈৰৱ মন্দিৰটো তেজপুৰ নগৰৰ উত্তৰ সীমাত অৱস্থিত। এই শিৱ মন্দিৰটোৰ শিৱলিংগ বানৰজাই প্ৰতিষ্ঠা কৰিছিল বুলি আৰু সেইদৰে ইয়াতেই তপস্যা কৰি বানৰজাই শিৱৰ পৰা সহস্ৰবাহু আৰু শিৱৰ সমান যোদ্ধা হোৱাৰ বৰ লাভ কৰিছিল বুলি প্ৰবাদ আছে। বানৰজাৰ কন্যা উষায়ো এই মন্দিৰত পূজা কৰিছিল। প্ৰাচীন শৈলমন্দিৰটো ধ্বংস হোৱাত খ্ৰীষ্টীয় ৮ম-৯ম শতিকাত শালস্তম্ভ বংশীয় ৰজাসকলে মন্দিৰটো পুনৰ নিৰ্মাণ কৰাইছিল বুলি অনুমান কৰা হয়। মন্দিৰলৈ দৈনিক বহু দৰ্শনাৰ্থীৰ আগমন ঘটে।

### মাইবঙৰ ৰণচণ্ডী মন্দিৰ ঃ


উত্তৰ কাছাৰ পাহাৰৰ মাইবং আছিল যোড়শ শতিকাৰ মাজভাগৰ পৰা অষ্টাদশ শতিকাৰ মাজভাগ মানলৈকে কছাৰীসকলৰ ৰাজধানী। ১৫৭৬ খ্ৰীঃত ৰজা মেঘনাৰায়ণ ওৰফে নিৰ্ভৰ নাৰায়ণে মাইবঙত ৰাজধানী পাতিছিল বুলি জনশ্ৰুতি আছে।

বুৰঞ্জীপ্ৰসিদ্ধ এই মাইবং চহৰৰ উত্তৰ দিশে অৱস্থিত অঞ্চলটোৰ সবাতোকৈ আকৰ্ষণীয় শিলত কটা ৰণচণ্ডী মন্দিৰটো। মন্দিৰটোৰ গাত থকা এখন শিলালিপিৰ পৰা এই মন্দিৰ ১৭২১ খ্ৰীঃত হিড়িম্বেশ্বৰ হৰিশচন্দ্ৰ নামৰ ৰজাজনে নিৰ্মাণ কৰাইছিল বুলি জনা যায়। উত্তৰ কাছাৰৰ মাহুৰ নদীৰ পাৰৰ এটা ডাঙৰ শিলৰ ওপৰ অংশ কাটি নিৰ্মাণ কৰা এই মন্দিৰটো দুই চালিযুক্ত আৰু পূৰ্ণাংগ যেন লাগিলেও ইয়াৰ ভিতৰৰ মজিয়াখন কিন্তু মুকলি নহয়। মন্দিৰটোৰ চালৰ নিৰ্মাণ শৈলীত বংগীয় প্ৰভাৱ পৰা দেখা যায়।

### দেওপাহাৰৰ শিৱমন্দিৰ ঃ

গোলাঘাট জিলাৰ অন্তৰ্গত নুমলীগড়ৰ দক্ষিণ দিশে প্ৰায় তিনি কিঃমিঃ নিলগত অৱস্থিত দেওপাহাৰত শিলেৰে নিৰ্মিত এক শিৱমন্দিৰৰ ভগ্নাৱশেষ আছে। 'দেও' বা দেৱতা অৰ্থাৎ মহাদেৱ শিৱ থকাৰ বাবেই এই পাহাৰটোৰ নাম দেওপাহাৰ।

মন্দিৰৰ ভগ্নাৱশেষবোৰত শিৱ, বিষ্ণু, লক্ষ্মী আদি দেৱ-দেৱী, দ্বাৰপাল, কালমকৰ, উৰন্ত অপ্সৰা, যক্ষ, ঋষি, মৎস্য কন্যা, নৃত্য-গীত-বাদ্যত মগ্ন স্ত্রী-পুৰুষ, যুদ্ধ-বিগ্ৰহৰ দৃশ্য, সামাজিক-সাংস্কৃতিক জীৱনৰ দৃশ্য, জীৱ-জন্তু, আদি সুন্দৰ ৰূপত খোদিত কৰা আছে। মন্দিৰৰ শৈল চাল আৰু ভেটিও সুন্দৰ কাৰুকাৰ্য খচিত।



দেওপাহাৰৰ শিৱমন্দিৰ

দেওপাহাৰৰ এই শৈল মন্দিৰৰ স্থাপত্য-ভাস্কৰ্য তেজপুৰৰ বিভিন্ন স্থানত আৱিষ্কৃত স্থাপত্য-ভাস্কৰ্যৰ সৈতে মিল দেখা যায়। গতিকে এই শৈল মন্দিৰ খ্ৰীষ্টীয় অষ্টম-নৱম শতিকাৰ শালস্তম্ভ বংশৰ কোনোবা নৃপতিয়ে নিৰ্মাণ কৰাৰ সম্ভাৱনা আছে বুলি পণ্ডিতসকলে অনুমান কৰিছে।

**নেঘেৰীটিঙৰ শিৱদৌল ঃ**

গোলাঘাট জিলাৰ অন্তৰ্গত নেঘেৰীটিঙৰ মাজেদি যোৱা ৩৭নং ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা উত্তৰ দিশে কিছু দূৰ গ'লেই পোৱা যায় ইতিহাস প্ৰসিদ্ধ নেঘেৰীটিঙৰ শিৱদ'লটো ।

ইতিবৃত্ত অনুসৰি এসময়ত নেঘেৰীটিঙৰ কাষেৰে বৈ যোৱা দিহিং নৈৰ পাৰত দক্ষিণে এটা শিৱমন্দিৰ আছিল। প্ৰাকৃতিক দুৰ্যোগত এই শিৱমন্দিৰ ভাগি পৰে আৰু ইয়াৰ শিৱলিংগটো ঘন অৰণ্যই ঢাকি পেলায়। পিছত অঞ্চলটো আহোমৰ দখললৈ আহে আৰু আহোম ৰজা প্ৰতাপ সিংহই (খ্ৰীঃ ১৬০৩-১৬৪১) এই শিৱলিংগটোৰ সন্ধান পাই ইয়াক শীতল নেঘেৰী নামৰ ঠাইত প্ৰতিষ্ঠা কৰি এটা শিৱ মন্দিৰ নিৰ্মাণ কৰে। অৱশ্যে এই মন্দিৰটোও কালক্ৰমত ব্ৰহ্মপুত্ৰৰ বান আৰু খহনীয়াই ধ্বংস কৰে। ইয়াৰ পাছত আহোম স্বৰ্গদেউ ৰাজেশ্বৰ সিংহই (খ্ৰীঃ ১৭৫১-৬৯) বৰ্ত্তমানৰ শিৱদ'লটো এটা টিলাৰ ওপৰত নিৰ্মাণৰ কাম চলাই থাকোতেই তেওঁৰ মৃত্যু হোৱাত পৰৱৰ্তী আহোম স্বৰ্গদেউ লক্ষ্মীসিংহই (খ্ৰীঃ ১৭৬৯-১৭৮০) দ'লটোত মূল শিৱলিংগ 'বানলিংগ' প্ৰতিষ্ঠা কৰি পুখুৰী উচৰ্গা কৰে।

আহোম স্বৰ্গদেউসকলে নেঘেৰীটিঙৰ শিৱদ'লৰ প্ৰতি বিশেষ শ্ৰদ্ধা প্ৰদৰ্শন কৰিছিল। এই দ'লৰ নিৰ্মালি প্ৰতিদিনে দেৰগাঁৰৰ পৰা ৰাজধানী ৰংপুৰলৈ নিৰ্মাণ কৰোৱা বৰআলিয়েদি অশ্বাৰোহীয়ে নি ৰজাক নিদিয়া পৰ্যন্ত ৰজাই আহাৰ গ্ৰহণ নকৰিছিল। আহোম স্বৰ্গদেউসকলে এই দ'ললৈ মাটি-ভেটিৰ লগতে তামৰ ডবা, ৰূপ খটোৱা শৰাই, ভোগজৰা আদি সামগ্ৰী আগবঢ়াইছিল।

সুন্দৰ কাৰুকাৰ্য খচিত এই দ'লটোৰ চৌদিশে বিষ্ণু, দুৰ্গা, গণেশ, সূৰ্য আদি দেৱ-দেৱীৰ দ'ল আছে। দ'লকেইটা ইটাৰে সজা আৰু শীৰ্ষটো কৰ্দৈসিৰীয়া। দৈনিক অনেক দৰ্শনাৰ্থীৰ এই দ'ললৈ আগমন ঘটে।

**জয়দ'ল ঃ**

স্বৰ্গদেউ ৰুদ্ৰসিংহই (খ্ৰীঃ ১৬৯৬-১৭১৪) জেৰেঙা পথাৰত মাতৃ জয়মতীৰ স্মৃতিত জয়সাগৰ পুখুৰী খন্দায় আৰু এই পুখুৰীৰ উত্তৰ পাৰত নিৰ্মাণ কৰায় জয়দ'ল। জয়দ'লক কেশৱৰায় বিষ্ণুদ'ল নামেৰেও জনা যায়। দ'লটোৰ প্ৰকোষ্ঠ লতা-ফুলৰ জালিৰে আবৰি আছে। তলৰ পৰা ওপৰলৈ বিভিন্ন




জয়সাগৰৰ জয়দ'ল

স্থানত হাতী, ঘোঁৰা, হৰিণ, বাঘ, মগৰ, ঘঁৰিয়াল আদি বিভিন্ন জীৱ-জন্তু, হৰিণ চিকাৰৰ দৃশ্য, কুৰ্ম, নৰসিংহ, অৰ্জুনৰ লক্ষ্য-ভেদ, ধ্যানমগ্ন ঋষি, গন্ধৰ্ব, কিন্নৰ, ৰজা-ৰাণী আদিৰ অপৰূপ ভাস্কৰ্য খোদিত হৈ আছে।

**ঘনশ্যাম দ'ল ঃ**

জয়সাগৰ পুখুৰীৰ পশ্চিম পাৰে ঘনশ্যাম দ'ল অৱস্থিত। দ'লটোৰ আকৃতি আনবোৰ দ'লৰ দৰে নহয়; গতিকে ইয়াক ৰংপুৰ নগৰ আৰু অন্যান্য নিৰ্মাণ কাৰ্যসমূহৰ বাবে স্বৰ্গদেউ ৰুদ্ৰসিংহই কোচ বিহাৰৰ পৰা অনা ঘনশ্যাম নামৰ খনিকৰজনৰ বাসগৃহ আছিল বুলি বিশ্বাস কৰা হয়। অৱশ্যে কোনো কোনো পণ্ডিতৰ মতে এই দ'লটিৰ নাম নাতিগোসাঁইৰ দ'ল কাৰণ পৰ্বতীয়া গোসাঁইৰ জী-নাতি এজনৰ বাবে স্বৰ্গদেউ ৰাজেশ্বৰ সিংহই (খ্ৰীঃ ১৭৫১-৬৯) এই দ'লটি নিৰ্মাণ কৰাইছিল বুলি কোৱা হয়।



ঘনশ্যাম দ'ল

ইয়াৰোপৰি জয়সাগৰ পুখুৰীৰ পাৰতে শিৱদ'ল, দেৱীদ'ল আদি দ'লও আছে।

**ফাকুৱা দ'ল ঃ**

ফাকুৱা দ'লটো ৰাজধানী ৰংপুৰৰ বৰদুৱাৰৰ ওচৰতে অৱস্থিত। স্বৰ্গদেউ ৰুদ্ৰসিংহই (খ্ৰীঃ ১৬৯৬-১৭১৪) মাতৃ জয়মতী কুঁৱৰীৰ এটি সোণৰ প্ৰতিমা গঢ়াই এই স্থানত মৈদাম দি তাৰ ওপৰত এই দ'ল নিৰ্মাণ কৰাইছিল বুলি জনা যায়।

Daily Assam



**ৰংগনাথ দ'ল ঃ**

ফাকুৰা দ'লৰ সমীপতে স্বৰ্গদেউ ৰুদ্ৰসিংহই ১৭০৪ খ্ৰীঃত নিৰ্মাণ কৰাইছিল ৰংগনাথ শিৱদ'ল।

**গৌৰীসাগৰ দ'ল ঃ**

শিৱসাগৰ নগৰৰ পৰা ১২ কিঃমিঃ মান পশ্চিমে ৩৭নং ৰাষ্ট্ৰীয় ঘাই পথৰ কাষতেই গৌৰীসাগৰ পুখুৰীৰ উত্তৰ পাৰত অৱস্থিত দেৱী দ'ল, শিৱ দ'ল আৰু বিষ্ণু দ'ল। এই দ'লকেইটা স্বৰ্গদেউ শিৱসিংহৰ (খ্ৰীঃ ১৭১৪-৪৪) পত্নী 'বৰৰজা' ফুলেশ্বৰী কুঁৱৰীয়ে নিৰ্মাণ কৰাইছিল।

**শিৱসাগৰৰ শিৱ দ'ল ঃ**

বৰ্ত্তমান শিৱসাগৰ নগৰৰ মাজ মজিয়াত থকা শিৱসাগৰ পুখুৰীৰ পাৰৰ শিৱদল'টোৱেই অসমত নিৰ্মিত আটাইবোৰ দ'লৰ ভিতৰত উচ্চতম। এই দ'লটোৰ উচ্চতা প্ৰায় চল্লিশ মিটাৰ। কৰ্দৈসিৰীয়া দ'লটোৰ শীৰ্ষত থকা সোণৰ কলচীটো চৰিয়াৰে সৈতে মুঠ উচ্চতা '৫' হাত মান হ'ব। দ'লটোৰ কাষতে আছে বিষ্ণু দ'ল আৰু দেৱীদ'ল।

দ'লটোৰ গাত নানা লতা-ফুলৰ নক্সা আছে আৰু তাৰ মাজে মাজে বিভিন্ন দেৱ-দেৱীৰ মূৰ্ত্তি, বিষ্ণুৰ বিভিন্ন অৱতাৰৰ মূৰ্ত্তি খোদিত হৈ আছে। তদুপৰি পশু-পক্ষী, যোগ সাধক আদিৰ মূৰ্ত্তিও খোদিত হৈ আছে।

এই সু-উচ্চ শিৱদ'লটো নিৰ্মাণ কৰাইছিল স্বৰ্গদেউ শিৱসিংহৰ (খ্ৰীঃ ১৭১৪-৪৪) ৰাণী অম্বিকাই ১৭৩৪ খ্ৰীঃত। দৈনিক এই শিৱদ'ললৈ হেজাৰ-বিজাৰ



*শিৱ দ'ল*

লোকৰ আগমন হয়। শিৱৰাত্ৰি উৎসৱ এই দ'লত মহাসমাৰোহেৰে পালন কৰা হয়।

**মালিনী থান ঃ**

মালিনী থান অৰুণাচল প্ৰদেশৰ পশ্চিম চিয়াং জিলাত অৱস্থিত এক প্ৰাচীন শক্তিপীঠ। এই থান অসমৰ ধেমাজী জিলাৰ পৰা উত্তৰলৈ অৱস্থিত। আখ্যান মতে বিদৰ্ভৰ ৰজা ভীষ্মকৰ কন্যা ৰুক্মিনীক শ্ৰীকৃষ্ণই হৰণ কৰি লৈ যাওঁতে এই ঠাইতেই জিৰণি লৈছিল আৰু ইয়াতেই তেওঁলোকক শিৱ-পাৰ্বতীয়ে ফুলৰ মালাৰে আদৰণি জনোৱাত শ্ৰীকৃষ্ণই পাৰ্বতীক 'মালিনী' নাম দিছিল বাবেই এই থানৰ নাম 'মালিনী থান' হয়। অন্য এক কিংবদন্তিৰ মতে মহাদেৱ শিৱৰ

প্ৰেম ভিক্ষা কৰা এগৰাকী মালিনীয়ে শিৱ-পত্নী পাৰ্বতীৰ ৰোষত পৰি মস্তক হেৰুৱাব লগা হৈছিল বাবেই ঠাইডোখৰৰ নাম 'মালিনী থান' হয়। ঠাইডোখৰত এটা প্ৰাচীন শিৱলিংগ আৰু কাষতে এটি মস্তকহীন নাৰীমূৰ্ত্তি থকাৰ বাবেই বোধহয় এই কিংবদন্তিৰ সৃষ্টি।

মালিনী থানৰ অঞ্চলটো অতীতৰ চুতীয়া ৰাজ্যৰ অন্তৰ্গত আছিল বুলি আৰু ইয়াৰ স্থাপত্য-ভাস্কৰ্য সমূহ প্ৰাক্-আহোম যুগৰ বুলি অনুমান কৰা হৈছে। খনন কাৰ্যৰ জৰিয়তে এই স্থানত আৱিষ্কৃত হৈছে শৈল-মন্দিৰৰ ভগ্নাৱশেষৰ লগতে শিৱলিংগ, সিংহৰ মূৰ্ত্তি, দঁতাল হাতীৰ সৈতে ইন্দ্ৰমূৰ্ত্তি, নিগনিৰ সৈতে গণেশ আৰু ময়ূৰ বাহনৰ সৈতে কাৰ্ত্তিকৰ মূৰ্ত্তি, ৰথৰ সৈতে সূৰ্যমূৰ্ত্তি, ঘণ্টামালা পৰিহিত নন্দীমূৰ্ত্তি, ত্ৰিশূল আৰু কমণ্ডলুসহ যোগী মূৰ্ত্তি, দুৰ্গাদেৱীৰ মূৰ্ত্তি ইত্যাদি। এই শৈলমূৰ্ত্তিসমূহত শিল্পীৰ নিপুণ হাতৰ পৰশ বিদ্যমান।

প্ৰাচীন শক্তিপীঠ মালিনী থানলৈ প্ৰতিদিনে শ শ লোকৰ আগমন হয়।

উল্লিখিত দ'ল-দেৱালয়সমূহৰ উপৰিও আহোম স্বৰ্গদেউসকলে নিৰ্মাণ কৰোৱা আৰু মাটি-ভেটি দান দিয়া অনেক দ'ল -দেৱালয়ৰ নাম পোৱা যায়। সেইবোৰৰ ভিতৰত যোগেশ্বৰ দেৱালয়, সৌভাগ্য মাধৱ দেৱালয়, হলেশ্বৰ দেৱালয়, হাতীগড় দেৱালয়, ৰুদ্ৰপদ দেৱালয়, ছত্ৰাকাৰ দেৱালয়, সিদ্ধেশ্বৰ দেৱালয়, অগ্নিবানেশ্বৰ দেৱালয়, পৰিহৰেশ্বৰ দেৱালয়, নাগশংকৰ দেৱালয়, সূৰ্যমাধৱ মন্দিৰ, চণ্ডী মন্দিৰ, ধাৰেশ্বৰ শিৱমন্দিৰ, কমলেশ্বৰ শিৱমন্দিৰ, ৰুদ্ৰেশ্বৰ মন্দিৰ, মণিকৰ্ণেশ্বৰ মন্দিৰ, দীৰ্ঘেশ্বৰী মন্দিৰ, জয়দুৰ্গা মন্দিৰ, বিল্বেশ্বৰ মন্দিৰ, দীপ্তেশ্বৰ মন্দিৰ, হৰ-গৌৰী দ'ল, পাণ্ডুনাথৰ দ'ল, বানেশ্বৰ দ'ল, মাঘোৱা দ'ল, থাওৰা দ'ল, কালুগাঁৱৰ বৰপাত্ৰ দ'ল, কেন্দুগুৰি বৰপাত্ৰ দ'ল, নামতি দ'ল, কেঁৰী ৰাজমাও দ'ল, বগী দ'ল, ৰুদ্ৰসাগৰৰ শিৱদ'ল, চেঁচামুখৰ দ'ল, চৰাইদেউৰ গোটা দ'ল, কোটোহাগুৰি দ'ল, ধেমেচীৰ বেজৰ দ'ল, ধেমাজীৰ ঘুঘুহা দ'ল, নাফুকী ৰাজমাও দ'ল, লেজাইৰ ৰাইডঙীয়া দ'ল আদি উল্লেখযোগ্য।

**ঘৰ-দুৱাৰ, ৰাজকাৰেং ইত্যাদিঃ**

প্ৰাচীন বা প্ৰাক্-আহোম যুগৰ অসমত সাধাৰণ মানুহৰ পৰা ৰাজহাউলিলৈকে বাসগৃহসমূহ প্ৰধানকৈ বাঁহ-কাঠেৰেই নিৰ্মাণ কৰা হৈছিল বুলি অনুমান কৰা হয়। কছাৰীসকলে আহোমতকৈ আগতে ইটাৰ ব্যৱহাৰ কৰিছিল যদিও কছাৰীৰাজ্যৰ ৰাজধানী ডিমাপুৰ, মাইবাং, খাচপুৰ আদি ক'তোৰেই বাসগৃহ বা ৰাজকাৰেঙৰ নিদৰ্শন এতিয়ালৈকে পূণাংগৰূপত পোৱা হোৱা নাই। দৈয়াং-ধনশিৰি উপত্যকাৰ চিচুপানীৰ ৰজাবাৰীত আৱিষ্কৃত কছাৰী ৰজাৰ ৰাজহাউলিৰ ফুলকটা শিলৰ স্তম্ভ, সিংহদ্বাৰ আৰু ইটাৰ টুকুৰাবোৰ, ধনশিৰিৰ পাৰৰ দুবৰণি অঞ্চলত আৱিষ্কৃত ৪ কিঃ মিঃ আগুৰা গড়, খাৱৈ, পুখুৰী আৰু ইটাৰে নিৰ্মিত প্ৰাচীন ঘৰৰ ভগ্নাৱশেষে কছাৰীসকলৰ উচ্চমানৰ স্থাপত্যৰ নিদৰ্শন দাঙি ধৰে।

মঠ-মন্দিৰ আদি ধৰ্মানুষ্ঠানসমূহৰ স্থাপত্যৰ কথা বাদ দি অন্যান্য ঘৰ-দুৱাৰ বা ৰাজকাৰেং আদিৰ স্পষ্ট আৰু প্ৰায় নিখুঁট ৰূপ আহোম ৰাজত্ব কালত নিৰ্মিত ৰংপুৰৰ ৰংঘৰ, তলাতল ঘৰ, গোলাঘৰ, গড়গাঁৱৰ কাৰেংঘৰ আদি কেইটামান স্থাপত্যতহে আমি দেখিবলৈ পাওঁ।


আহোম যুগৰ স্থাপত্য এতিয়াও প্ৰায় অক্ষত

অৱস্থাত পোৱা যায়। ভূমিকম্প, বানপানী আদি প্ৰতিকূল প্ৰাকৃতিক পৰিৱেশ, দেশী-বিদেশী আক্ৰমণকাৰীৰ আঘাতে এইবোৰৰ বহু পৰিমাণে ক্ষতিসাধন কৰা সত্বেও আৰু অনেক সম্পদ কালৰ বুকুত হেৰাই গ'লেও ৰংপুৰৰ ৰংঘৰ, কাৰেংঘৰ (তলাতল ঘৰ), গড়গাঁৱৰ কাৰেংঘৰ, বিভিন্ন ঠাইৰ গড়, শিলা-সাঁকো আদিয়ে আহোম যুগৰ উন্নতমানৰ স্থপতিবিদ্যাৰ নিদৰ্শন দাঙি ধৰে।

আহোম যুগত সাধাৰণ প্ৰজাই দুচলীয়া বাঁহ-কাঠৰ ঘৰত বাস কৰিছিল। তেওঁলোকে প্ৰথমতে চাংঘৰত বাস কৰিছিল বুলি কোৱা হয়, যিটো অভ্যাস পাছলৈ তেওঁলোকে এৰিছিল। কিন্তু ৰজাৰ কাৰেংঘৰ, পাটঘৰ, শিঙৰিঘৰ, হোলোংঘৰ আদি কাঠ-বাঁহৰ দুমহলীয়া চাংঘৰ আছিল। সেইবোৰৰ কাঠৰ চ'তি, খুঁটা আদিত ফুল- লতা, জীৱ-জন্তু আদিৰ মূৰ্ত্তি খোদিত কৰি তাত হেঙুল-হাইতালৰ ৰং সানি শুৱনি কৰিছিল। আহোম ৰজাই বৰাহীসকলৰ আৰ্হিৰে ৰাজকাৰেঙটো দুটুপীয়াকৈ সাজিছিল বুলি বুৰঞ্জীত আছে। ডাঙৰীয়াসকলে তেওঁলোকৰ বাসগৃহত এটা টুপহে লগাব পাৰিছিল। আহোম যুগৰ স্থাপত্যত উত্তৰ ভাৰতীয় নাগৰ, গৌড়, পাৰ্চী-মোগল স্থাপত্যৰ আৰ্হিৰ প্ৰভাৱ পৰিলক্ষিত হয় যদিও এইবোৰত আহোম যুগৰ স্বকীয় স্থাপত্য ৰীতিৰো পৰিচয় পোৱা যায়। উদাহৰণস্বৰূপে, আহোম যুগৰ ইটাবোৰ আৰু কৰাল্‌বোৰ থলুৱা পদ্ধতিৰে নিৰ্মিত। এই ইটাবোৰ আঠালতীয়া মাটিৰে সাজি ইটা ভাটাত পুৰি অতি টানকৈ বিভিন্ন জোখত তৈয়াৰ কৰা হৈছিল। ইটাবোৰ কঠিন কৰিবলৈ কেঁচামাটিৰ সৈতে কৰাল্ মিহলাই জুইত পোৱা হৈছিল। কৰাল্ তৈয়াৰ কৰাকে ধৰি অন্যান্য কামৰ বাবে আহোম স্বৰ্গদেউসকলে বিভিন্ন বৃত্তিমূলক খেল (guild) সৃষ্টি কৰি লৈছিল। মন্দিৰসমূহ প্ৰধানকৈ উত্তৰ ভাৰতীয় 'নাগৰ' শৈলীৰ বুলি পণ্ডিতসকলে কয়; অৱশ্যে জয়সাগৰ পুখুৰীৰ পাৰৰ নাতি গোঁসাই দলটো পোৰামাটিৰ সম্পূৰ্ণ গৌড়ীয় আৰ্হিৰ বুলি কোৱা হয়।

## গড়গাঁৱৰ কাৰেংঘৰ ঃ

বৰ্তমান শিৱসাগৰ নগৰৰ পৰা পূবলৈ গড়গাঁও অৱস্থিত। গড়গাঁৱৰ কাৰেংঘৰটোৱেই আহোম যুগৰ এতিয়ালৈকে প্ৰায় অক্ষত অৱস্থাত থকা ৰাজপ্ৰাসাদ। আহোম স্বৰ্গদেউ চুক্লেংমুঙে (খ্ৰীঃ ১৫৩৯-১৫৫২) চাৰিওফালে গড় মাৰি এই ঠাইলৈ ৰাজধানী স্থানান্তৰ কৰিছিল; যাৰবাবে তেওঁ 'গড়গঞা ৰজা' নামেৰে জনাজাত হৈছিল। অতীতৰ কাৰেংঘৰটো বাঁহ-কাঠেৰে নিৰ্মাণ কৰা হৈছিল আৰু ইয়াক 'হোলোংঘৰ'



কাৰেংঘৰ

বোলা হৈছিল। মিৰজুমলাৰ অসম অভিযানৰ (খ্ৰীঃ ১৬৬২-৬৩) লগত অহা ঐতিহাসিক চিহাবুদ্দিন তালিছে দিয়া বৰ্ণনা মতে এই হোলোংঘৰটো দীঘলে ১২০ হাত আৰু পথালিয়ে ৩০ হাত আছিল। ইয়াত

প্ৰতিটোৰে চাৰিহাত পৰিধিৰ ৬৬টা খুঁটা আছিল। এই খুঁটা, বেৰ আৰু দুৱাৰবোৰত অপৰূপ কাৰুকাৰ্য খচিত কৰা হৈছিল। হোলোংঘৰটোৰ ভিতৰে-বাহিৰে সুন্দৰ মিহি চক্‌চকীয়া পিতলৰ দাপোন লগোৱা আছিল। চিহাবুদ্দিন তালিছে এনেধৰণৰ কাঠৰ কাৰুকাৰ্য পৃথিৱীৰ ক'তো নাই বুলি কৈছিল।

বৰ্ত্তমানৰ পকী কাৰেংঘৰটো স্বৰ্গদেউ ৰাজেশ্বৰ সিংহই (খ্ৰীঃ ১৭৫১-১৭৬৯) নিৰ্মাণ কৰাইছিল আৰু ই সাতমহলীয়া আছিল। অৱশ্যে বৰ্তমান ইয়াৰ চাৰিটা মহলাহে দেখা যায়। ভূগৰ্ভস্থ তিনিটা মহলাৰ তলৰ মহলাটোৰ পৰা দিখৌ নদীৰ ঘাটলৈকে এক সুৰংগপথ আছিল যিটোৰেদি ৰজাক বিপদৰ সময়ত পলুৱাই নিয়াৰ সু-ব্যৱস্থা আছিল। অৱশ্যে ভূগৰ্ভস্থ মহলা আৰু সুৰংগ পথ অদ্যপৰিমিত আৱিষ্কৃত হোৱা নাই। প্ৰতিদিনে এই কাৰেংঘৰটো চাবৰ বাবে অনেক দৰ্শনাৰ্থীৰ সমাগম হয়।

### ৰংপুৰৰ তলাতল ঘৰ ঃ

স্বৰ্গদেউ ৰুদ্ৰসিংহই (খ্ৰীঃ ১৬৯৬-১৭১৪) সিংহাসনত উঠাৰ পাছতে মেটেকালৈ ৰাজধানী স্থানান্তৰ কৰি নতুন ৰাজধানীৰ নাম 'ৰংপুৰ' ৰাখে। ৰাজধানী ৰংপুৰৰ সকলোতকৈ বিখ্যাত ভৱন দুটা হৈছে 'তলাতল ঘৰ' আৰু 'ৰংঘৰ'।

তলাতল ঘৰটো আছিল আহোম ৰজাৰ ৰাজপ্ৰাসাদ। ইয়াৰে একাংশ স্বৰ্গদেউ ৰুদ্ৰসিংহই সজাইছিল আৰু স্বৰ্গদেউ ৰাজেশ্বৰ সিংহৰ (খ্ৰীঃ ১৭৫১-৬৯) দিনতহে তলাতলঘৰটোৰ নিৰ্মাণ সম্পূৰ্ণ হৈছিল বুলি কোৱা হয়। এই ৰাজকাৰেংটোত ইটাৰে নিৰ্মিত সাতটা তলা বা মহলা আছিল বাবে ইয়াক তলাতল ঘৰ বুলি কোৱা হয়। ইয়াৰো তিনি তলা মাটিৰ তলত আছিল বুলি জনা যায়। বাকী চাৰি তলা তাৰ ওপৰত সজা হৈছিল। তলাতল ঘৰটো আহোম যুগৰ স্থাপত্য কলাৰ সবাতোকৈ শ্ৰেষ্ঠ নিৰ্দশন বুলিব পাৰি। ঘৰটোৰ প্ৰৱেশ আৰু প্ৰস্থান পথবোৰ



*তলাতল ঘৰ*

বিস্ময়কৰ কৌশল খটুৱাই নিৰ্মাণ কৰা হৈছিল। সেইদৰে ইয়াৰ ভূ-গৰ্ভস্থ তিনি তলাৰ একেবাৰে তলৰটো দুটা সুৰংগ পথেৰে দিখৌ নৈৰ ঘাট আৰু গড়গাঁৱৰ কাৰেঙৰ সৈতে সংযোগ কৰা হৈছিল বুলি কোৱা হয়। ৰজাৰ নিৰাপত্তাৰ বাবেই এই সকলোবোৰ ব্যৱস্থা কৰা হৈছিল। ঘৰটোত বিভিন্ন কাৰ্যৰ বাবে বৰচ'ৰা, বুলনিঘৰ, পালীঘৰ, দেওঘৰ, মৰংঘৰ, বেজশাল, উপাসনা গৃহ আদিৰ সুন্দৰ ব্যৱস্থা আছিল। সেইদৰে স্বৰ্গদেউৰ দেহৰক্ষী আৰু সৈন্যদল থাকিবৰ বাবেও সু-ব্যৱস্থা আছিল। ঘৰটোৰ দেৱালত বিভিন্ন ভাস্কৰ্যও খোদিত কৰা হৈছিল। শ শ দৰ্শনাৰ্থীয়ে প্ৰতিদিনে তলাতল ঘৰটোত ভিৰ কৰেহি।

### ৰংঘৰ ঃ

বৰ্ত্তমান শিৱসাগৰ নগৰৰ দক্ষিণ দিশে তলাতল ঘৰটোৰ পশ্চিমলৈ ঐতিহাসিক ৰংঘৰটো অৱস্থিত।

স্বৰ্গদেউ ৰুদ্ৰসিংহই (খ্ৰীঃ ১৬৯৬-১৭১৪) ৰূপহী পথাৰত প্ৰথমে কাঠেৰে চাংঘৰ কৰি এই ঘৰটো নিৰ্মাণ কৰাইছিল। আহোম স্বৰ্গদেউসকলে ডা-ডাঙৰীয়াসকলৰ সৈতে এই ঘৰটোতে বহি সমুখৰ ৰূপহী পথাৰত বিভিন্ন খেল-ধেমালি, জন্তুৰ যুঁজ, শেনমেলা, বিহু নাচ আদি উপভোগ কৰিছিল। ৰঙালী বিহুক ৰাজকীয় মৰ্যাদা প্ৰদান কৰি স্বৰ্গদেউ ৰুদ্ৰসিংহই




ৰংঘৰ

এই ৰংঘৰ বাকৰিতেই সাদিনীয়াকৈ অনুষ্ঠিত কৰি উপভোগ কৰিছিল। বৰ্ত্তমানৰ পকী ৰংঘৰটো স্বৰ্গদেউ প্ৰমত্ত সিংহই (খ্ৰী. ১৭৪৪-৫১) দুমহলীয়াকৈ নিৰ্মাণ কৰাইছিল। ৰংঘৰটোৰ ছালখন খেৰী ঘৰৰ দৰে দুটুপীয়া। দুয়োটা টুপতে দুটা মগৰৰ মূৰ্ত্তি আছে। গতিকে ৰংঘৰটো এখন খেল নাৱৰ আৰ্হিত নিৰ্মাণ কৰা হৈছিল বুলিও কিছু লোকে কয়। পশ্চিম দিশে দ্বিতীয় মহলালৈ উঠা খটখটীৰ ওপৰত কাইচেং-মুঙ কুকুৰাৰ প্ৰতিকৃতি দেখা যায়। ৰংঘৰৰ দুয়োটা মহলাতে মাজভাগত ডাঙৰ ডাঙৰ কোঠালী আৰু তাৰ দুয়োকাষে দুটাকৈ সৰু সৰু কোঠালী আছে।

প্ৰতিদিনে বহু দৰ্শনাৰ্থীৰ ৰংঘৰত সমাৰেশ ঘটে।

### মৈদাম ঃ

আহোম ভাষাত মৈদামৰ অৰ্থ হ'ল 'মৃতকৰ ভেঁটি'। আহোমসকলৰ মৃতকৰ শৰদেহটো 'ৰুঙ্গ-ডাঙ' নামৰ উৰিয়াম গছৰ কাঠেৰে নিৰ্মিত পেৰা বা কফিন এটাৰ ভিতৰত থৈ পেৰাটো অনেক নীতি-নিয়মৰ মাজেৰে মাটিত গাঁত খান্দি পুতি ওপৰত মাটিৰে ওখকৈ অৰ্দ্ধ-গোলাকাৰ ভেঁটি বা ঢিপ তৈয়াৰ কৰা হৈছিল। এই গোটেই পদ্ধতিটোৰেই হ'ল 'মৈদাম দিয়া'। গতিকে মৈদাম হ'ল আহোমসকলৰ এক বিশেষ স্থাপত্য শিল্প। অৱশ্যে আহোমৰ ৰজা-ৰাণী আৰু ৰাজপৰিয়ালৰ লোক, ডা-ডাঙৰীয়া, বৰুৱা-ফুকন আদিৰ লগতে সাধাৰণ লোকৰ মৈদাম দিয়া পদ্ধতি বেলেগ বেলেগ আছিল।



মৈদাম

উদাহৰণস্বৰূপে ৰজাৰ শৰদেহটো ৰুঙ্গ-ডাঙৰ ভিতৰত ভৰাই যি ঠাইত ৰুঙ্গ-ডাঙ পোতা হ'ব সেই ঠাইলৈ অনা হয়। সেই ঠাইত শাল কাঠৰ তক্তাৰে এটা ঘৰ সাজে তাক 'কাৰেং ৰুঙ্গ-ডাঙ' বোলে। ইটাৰ ব্যৱহাৰ কৰিবলৈ লোৱাৰ পিছত এই ঘৰটো ইটাৰে নিৰ্মাণ কৰা হৈছিল। এই ঠাইতে ৰুঙ্গ-ডাঙৰ পৰা শৰদেহটো উলিয়াই নানা নীতি-নিয়মৰ মাজেদি স্নান কৰাই, নতুন বস্ত্ৰ অলংকাৰ পিন্ধাই 'কাৰেং ৰুঙ্গ-ডাঙ'ৰ

ভিতৰত সজাই থোৱা এখন খাটৰ ওপৰত শৱদেহটো পূবৰ পিনে মূৰ আৰু পশ্চিমৰ পিনে ভৰি কৰি শুৱাই ৰাখে। হিতেশ্বৰ বৰবৰুৱাৰ ‘আহোমৰ দিন’ত আছে “ৰজাৰ শৱটো শুৱাই থোৱা খোটালিটোৰ ওপৰত সাত খলপীয়া সোণৰ বৰৈ দিয়া চাঙ্গ্টি চন্দোৱাৰ, মাটিত সোণৰ দাপোণ মৰা চালপিৰা, তাৰ চাৰিও চুকে সোণেৰে বন্ধোৱা চাৰিটা খুটি, তাতে সোণোৱালী বনকৰা জালিকটা আঁঠুৱা তৰা হয়। চালপিৰা বা খাটৰ ওচৰতে সোণৰ মুঠিৰে, ফাঁকত হীৰা আৰু ডালিমা আদিৰে বাখৰ পতোৱা হেঙ্গদান্, কঁকালৰ ওচৰত, মাটিত চাৰি-পাঁচখন সোণ খটোৱা ৰূপৰ শৰাই, তাৰে এখনৰ ওপৰত সোণৰ বাখৰামী বটা, বাখৰামী সোণৰ চুণৰ টেমি আৰু সোণৰ ধঁপাত থোৱা টেমা; সোণৰ ডাবেৰে কটাৰী আৰু ৰূপৰ তামোল-পাণ থোৱা হয়। এখন শৰাইত সোণৰ ভোগজৰা, এখনত ৰাজ-অলংকাৰ আৰু সোণ-ধনৰ পেৰা আদিও ওচৰতে থয়। ভৰি পথানৰ ফালে সোণেৰে বন্ধোৱা ধোঁৱাখোৱা, তাৰ ওপৰত ৰূপৰ সাঁফৰমৰা চিলিম্ আৰু সোণৰ বনকৰা নলী। এইদৰে ৰজাৰ ব্যৱহাৰৰ বস্তুখিনি ভিতৰত সজাই থৈ “কাৰেং-ৰুঙ্গ-ডাঙ্গ”ৰ দুৱাৰখন জপাই দিয়ে। তেতিয়া তাৰ ওপৰত ওখকৈ মাটি দি মৈদাম বন্ধা হয়।” (পৃষ্ঠা - ৪০০) তদুপৰি দুগৰাকীমান ৰজাৰ মৈদামৰ বাহিৰে ওপৰফালে আৰু সমুখলৈ ইটাৰ গাঁথনি আৰু টুপ আছিল। এনেকৈ ৰজা-ৰাণী আৰু ৰাজপৰিয়ালৰ লোকৰ লগত তেওঁলোকে জীয়াই থাকোঁতে ব্যৱহাৰ কৰা সোণ-ৰূপৰ বাচন-বৰ্তন, খোৱা-বস্তু, কাপোৰ-কানি, সোণ-ৰূপৰ গহনা, লিগিৰা-লিগিৰী ইত্যাদি মৈদামৰ ভিতৰত দিয়া হৈছিল বুলি জনা যায়।

আহোম স্বৰ্গদেউসকলে হিন্দুধৰ্ম গ্ৰহণ কৰাৰ পাছত বিশেষকৈ স্বৰ্গদেউ লক্ষ্মীসিংহৰ (খ্ৰীঃ ১৭৬৯-১৭৮০) দিনৰ পৰা মৃত ৰজাৰ শৱ দাহ কৰি ছাইখিনি চৰাইদেউ পৰ্বতত পোতাই মৈদাম দিয়াই হিন্দু নিয়মেৰে শ্ৰাদ্ধ কৰা নিয়ম প্ৰচলিত হয়।

আহোমৰ প্ৰথম স্থায়ী ৰাজধানী চৰাইদেউত বহুকেইগৰাকী ৰজা-ৰাণীৰ মৈদাম দিয়া হৈছিল। মৈদামসমূহ চোৰা-চিতা কৰিবৰ বাবে আহোম ৰাজত্বত ‘মৈদামীয়া’ নামৰ খেল এটা আছিল। মৈদামত থকা মৃতকৰ সৈতে দিয়া সোণ-ৰূপ আদিৰ বাবে চোৰ, আক্ৰমণকাৰী আদিয়ে যুগে যুগে মৈদামত লুটপাট চলাইছিল। ঐতিহাসিক চিহাবুদ্দিন তালিছৰ বিৱৰণ মতে মিৰজুমলাই চৰাইদেউত মৈদাম খান্দি প্ৰায় ৯০ হাজাৰ টকা মূল্যৰ ধন-সোণ লুটি নিছিল। আশ্চৰ্যজনকভাৱে ৮০ বছৰৰ আগতে মৈদাম দিয়া এগৰাকী ৰাণীৰ মৈদামত পোৱা এটা সোণৰ তামোল-পাণৰ টেমাৰ ভিতৰত থকা পাণখিলা তেতিয়াও কেঁচা হৈয়ে আছিল।

চৰাইদেৱেই আছিল আহোমৰ ৰজা-ৰাণীসকলৰ প্ৰধান মৈদাম থলী। ইয়াতেই আছিল আহোমৰ পূজা-পাতলৰ প্ৰধান দেওশাল। উজনি অসমৰ বিভিন্ন ঠাইত এতিয়াও প্ৰায় অক্ষত অৱস্থাত অনেক মৈদাম দেখিবলৈ পোৱা যায়। মৈদাম দিয়াৰ পৰম্পৰা আহোমসকলৰ বহুতে আজিও জীয়াই ৰাখিছে।

**পুখুৰী ঃ**

পুখুৰী বোলোতে প্ৰধানকৈ আহোম ৰাজত্বকালৰ জয়সাগৰ, গৌৰীসাগৰ, অঠাইসাগৰ, ৰুদ্ৰসাগৰ আদি বিয়াগোম পুখুৰীবোৰৰ কথাই মনলৈ

আছে যদিও প্ৰাক্-আহোম যুগৰো অনেক সৰু বৰ পুখুৰী অসমৰ বিভিন্ন ঠাইত সিঁচৰতি হৈ থকা দেখা যায়। গুৱাহাটীৰ দীঘলী পুখুৰী, তেজপুৰৰ পদুম পুখুৰী, হজৰা পুখুৰী, ডিমাপুৰত কছাৰীসকলে খন্দোৱা কেইবাটাও বৃহৎ পুখুৰীৰ কথা থাওকতে উল্লেখ কৰিব পাৰি।

অৱশ্যে অসমত আহোমসকলৰ পুখুৰী শিল্পৰ এক সুকীয়া বৈশিষ্ট্য আছে। উদাহৰণ স্বৰূপে জয়সাগৰ, গৌৰীসাগৰ, শিৱসাগৰৰ দৰে কেইবাটাও বিশাল পুখুৰী আজিৰ পৰা আঢ়ৈশ-তিনিশ বছৰমান আগতেই খন্দোৱা হৈছিল যদিও পুখুৰীকেইটাৰ পানী কোনো কালেই কমি যোৱা বা শুকাই যোৱাটো পৰিলক্ষিত হোৱা নাই। তদুপৰি এই পুখুৰীকেইটাৰ পানীও বাকীবোৰৰ তুলনাত অধিক পৰিষ্কাৰ আৰু ফটফটীয়া। আহোমসকলে পুখুৰী খন্দাৰ কৌশল সম্পৰ্কে ড০ লীলা গগৈয়ে তেওঁৰ 'বুৰঞ্জীয়ে পৰশা নগৰ' পুথিত (পৃষ্ঠা-৪১) কৈছে, — "পুখুৰী খান্দিব খুজিলে ৰজাৰ বিষয়াই পোনতে মাটি চেলেকি চাই মাটি ঠিক কৰি আছে। তাৰ পিছত নিফুত এন্ধাৰ নিশা সেই ঠাইত কিছুমান সৰিয়হ তেলৰ চাকি জ্বলোৱা হয়। তেল শলিতা থাকোতে, বতাহ নবলাকৈ যিবোৰ চাকি নুমাই যায় তাত একোটা খুটি পুতি যায়। তাৰ পিছত এখন ডাঙৰ চাকিত সৰহ তেল শলিতা দি জ্বলাই লৈ আগতে পোতা খুটিবোৰৰ ঠাইত দি যায়। য'ত সেই চাকিখন নুমাই যায়, তাকে সোঁ মাজ কৰি পুখুৰী খান্দে।"

উল্লেখযোগ্য যে পানীৰ উহ বিচাৰিব জনা 'মাটিচেলেকা' নামৰ পদবীৰ এজন বিষয়া আহোম ৰাজত্বত আছিল যিজনৰ যথেষ্ট পৰিমানে ভূবিদ্যাৰ জ্ঞান আছিল। 'দৰবধৰা' নামৰ পদবীৰ আন এজন বিষয়াও পুখুৰীখন্দাৰ সৈতে জড়িত আছিল।

পানীৰ উহ থকা ঠাইতেই নাগমাৰি নামৰ শাল কাঠৰ ডাঙৰ দীঘল খুঁটা এটাৰে নাগ ফুটোৱা হয় আৰু তেতিয়া সেইফালেদি তলৰ পৰা পানী ওলাববলৈ ধৰে। পিছত তলিখন পকা কৰি তামৰ পাত্ৰ থৈ তাত 'ৰহ' (পাৰা) পানী পৰিষ্কাৰ হৈ থাকিবৰ বাবে ঢালি দিয়া হয়। এটা সময়ত পুখুৰীটো পৰিষ্কাৰ পানীৰে ওপচি পৰে।

আহোম যুগৰ কেইটামান বিশাল পুখুৰী হ'ল—

### জয়সাগৰ পুখুৰী ঃ

বৰ্ত্তমান শিৱসাগৰ নগৰৰ দক্ষিণে জয়সাগৰত এই পুখুৰী অৱস্থিত। স্বৰ্গদেউ ৰুদ্ৰসিংহই (খ্ৰীঃ ১৬৯৬-১৭১৪) ৰাজধানী ৰংপুৰৰ দক্ষিণে জেৰেঙা পথাৰত মাতৃ জয়মতী কুঁৱৰীৰ স্মৃতিত ১৬১৯ শকৰ (১৬৯৭ খ্ৰীঃ) ৩ আঘোণ তাৰিখে এই পুখুৰী খন্দায়। ই আহোম যুগৰ সৰ্ববৃহৎ পুখুৰী। পুখুৰীটোৰ পাৰে সৈতে মাটিকালি ২১০ পুৰা ১বিঘা ২ কঠা ১০ লোচা।



জয়সাগৰ পুখুৰী

Daily Assam



### গৌৰীসাগৰ পুখুৰী ঃ

বৰ্ত্তমানৰ ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ দক্ষিণে বৰ্ত্তমানৰ গৌৰীসাগৰ নামৰ ঠাইত এই পুখুৰীটো অৱস্থিত। স্বৰ্গদেউ শিৱসিংহৰ (খ্ৰীঃ ১৭১৪-৪৪) পত্নী 'বৰৰজা' ফুলেশ্বৰী কুঁৱৰীয়ে নামদাং শিলৰ সাঁকোৰ ওচৰত অতীতৰ বৰ আলিৰ দক্ষিণে এই পুখুৰীটো খন্দাইছিল। পুখুৰীটোৰ মাটিকালি ১১৩ পুৰা ১ বিঘা ২ কঠা ১৫ লোচা।

### শিৱসাগৰ পুখুৰী ঃ

বৰ্তমান শিৱসাগৰ নগৰৰ প্ৰায় মাজ-মজিয়াত এই পুখুৰী অৱস্থিত। স্বৰ্গদেউ শিৱসিংহৰ ৰাণী অম্বিকা বা মদাম্বিকা কুঁৱৰীয়ে ১৭৩৩ খ্ৰীঃত এই পুখুৰীটো খন্দাইছিল। পুখুৰীটোৰ মুঠ মাটিকালি ১৯৪ পুৰা ২ বিঘা ২ কঠা ৬ লোচা।



শিৱসাগৰ পুখুৰী

ইয়াৰ ওপৰিও ৰুদ্ৰসাগৰ পুখুৰী, লক্ষ্মীসাগৰ পুখুৰী, বিষ্ণুসাগৰ পুখুৰী, মেছাগড় পুখুৰী, ৰাজমাও পুখুৰী, ৰহদৈ পুখুৰী, মিঠা পুখুৰী, টেঙা পুখুৰী, শ-ধোৱা পুখুৰী, পেটু-ধোৱা পুখুৰী, নিতাই পুখুৰী, ধিতাই পুখুৰী আদি আহোম যুগৰ ২১২ টা পুখুৰীৰ নাম দিলীপকুমাৰ বুঢ়াগোহাঞিৰ 'বুৰঞ্জীৰ পৰশ' গ্ৰন্থত (পৃষ্ঠা ৫৪-৬৫) পোৱা যায়।

### আলি-পদূলি ঃ

প্ৰাচীন আৰু মধ্যযুগৰ অসমৰ ঐতিহাসিক আলি-পদূলিসমূহ অদ্যপৰিমিত সম্পূৰ্ণকৈ আৱিষ্কৃত আৰু চিনাক্ত কৰা হোৱা নাই। এইবোৰ যুগত আলি-পদূলিৰ সংখ্যা যথেষ্ট পৰিমাণে নাছিল; প্ৰধান ঠাইসমূহক সংযোগ কৰি সীমিত সংখ্যকহে আছিল। যাতায়তৰ আৰু যোগাযোগৰ বাবে প্ৰধানকৈ নদীপথসমূহহে ব্যৱহাৰ কৰা হৈছিল বুলি অনুমান হয়। প্ৰাচীন কামৰূপ ৰাজ্যৰ পৰা আহোম যুগলৈকে ৰজাসকলৰ শক্তিশালী নৌ-সেনাবাহিনী থকা কথাটোৱে আৰু বৰ নাও, মাৰ নাও, চ'ৰা নাও, পানচৈ নাও, গোটীয়া নাও, হিলৈ চ'ৰা নাও, খেল নাও, পাৰ নাও, চেঙেলী নাও, লাই নাও, মগৰি নাও, বাচৰু নাও, জাপ নাও, চিলাপতীয়া নাও আদি ২৫ বিধমান নাও থকাটোৱে এই নদীপথ আৰু অন্যান্য জলপথসমূহৰ বিপুল পৰিমানে ব্যৱহাৰ থকা কথাটোকে সূচায়।

উল্লিখিত সীমিতসংখ্যক ৰাজআলিৰ ভিতৰত দৈয়াং-ধনশিৰি উপত্যকাত কছাৰীসকলৰ শাসনকালৰ টেঙানি বনাঞ্চলৰ পৰা চিচু পানী, ধনশিৰি-দৈয়াং সংগমস্থল আৰু ডিমাপুৰ সংযোগী তিনিটা ইটাৰ ৰাজআলিৰ অৱশেষৰ আৱিষ্কাৰে কছাৰী ৰাজ্যত উন্নতমানৰ আলি-পদূলি থকাটো প্ৰমাণ কৰে। সেইদৰে কোচ ৰজা নৰনাৰায়ণে ভ্ৰাতৃ গোহাঁই কমলৰ তত্বাৱধানত নাৰায়ণপুৰৰ পৰা কোচবেহাৰলৈ নিৰ্মাণ কৰোৱা বিখ্যাত 'গোহাঁই কমল আলি'টোৱে কোচ ৰাজ্যৰ উন্নত আলি-পদূলিৰ

নিদৰ্শন দাঙি ধৰে। সঠিকভাৱে চিনাক্ত কৰিব পাৰিলে এনে প্ৰাচীন আলি-পদূলি আৰু বহুতো ওলাব।

আহোম ৰাজ্যত বিশেষকৈ অবিভক্ত শিৱসাগৰ জিলাকে মুখ্য কৰি উজনি অসমত আৰু নামনি অসমতো বহুতো আলি-পদূলি নিৰ্মাণ কৰা হৈছিল। তলত আহোম স্বৰ্গদেউসকলে নিৰ্মাণ কৰোৱা দুটামান আলি-পদূলিৰ উল্লেখ কৰা হ'ল।

### বৰআলি ঃ

স্বৰ্গদেউ প্ৰতাপসিংহৰ (খ্ৰীঃ ১৬০৩-১৬৪১) ৰাজত্বকালত এই আলি ৰাজধানী গড়গাঁৱৰ পৰা দিখৌ নৈ পাৰ হৈ ব্ৰহ্মপুত্ৰৰ কাষে কাষে দক্ষিণ পাৰেদি নেঘেৰীটিং দেৰগাঁৱলৈকে আছিল। এই বৰ আলিয়েদি স্বৰ্গদেউ প্ৰতাপসিংহই তীব্ৰবেগী ঘোঁৰাৰ সহায়ত নেঘেৰীটিঙৰ শিৱদ'লৰ নিৰ্মালি প্ৰতিদিনে পুৱা ৰাজধানীত গ্ৰহণ কৰাৰ কথা জনা যায়।

### ধোদৰ আলি ঃ

স্বৰ্গদেউ গদাধৰ সিংহই (খ্ৰীঃ ১৬৮১-১৬৯৬) নাহৰকটীয়াৰ ওচৰৰ জয়পুৰৰ পৰা গোলাঘাটৰ কমাৰগাঁৱলৈকে এই আলিটো নিৰ্মাণ কৰাইছিল। এই আলিটো সেইসময়ত শাৰীৰিক শ্ৰমৰ পৰা আঁতৰি থাকিব খোজা এলেহুৱা(অৰ্থাৎ ধোদ) প্ৰজাৰ শ্ৰমেৰে গঢ়া হৈছিল বাবেই আলিটোৰ নাম 'ধোদৰ আলি' হয়।

### চেঁউনি আলি ঃ

স্বৰ্গদেউ জয়ধ্বজ সিংহই (খ্ৰীঃ ১৬৪৮-১৬৬৩) এই আলি নিৰ্মাণ কৰাইছিল বুলি জনা যায়। এই আলি নিৰ্মাণৰ দায়িত্ব স্বৰ্গদেৱে বাদুলী ফুকনক দিছিল আৰু বাদুলী ফুকনে পথৰ কাষত চাউনি পাতি বনুৱা ৰাখি এই পথ নিৰ্মাণ কৰোৱাৰ বাবেই পথটোৱে 'চেউনি আলি' নাম পায় বুলি জনশ্ৰুতি আছে। পথটোৰ কমাৰগাঁৱৰ পৰা জাঁজী-গড়মূৰলৈকে অংশটো বৰ্তমান ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ অন্তৰ্ভুক্ত। সেইদৰে জাঁজী-গড়মূৰৰ পৰা গৌৰীসাগৰলৈকে অংশটো পূৰ্বতে 'মাছখোৱা গড়' নামৰ গড়টোৰ অংশ আছিল।

এইবোৰৰ উপৰিও আহোম ৰাজত্বকালত নগা আলি, চতাই আলি, জবকা আলি, বকতা আলি, হাৰিপৰা আলি, ভোমোৰাগুৰি আলি, তেলীয়াডোঙাৰ আলি, দাউকি আলি, বৰফুকন আলি, ৰহদৈ আলি, খৰিকটীয়া আলি, দুবৰি আলি, বহি খোৱা বৰফুকনৰ আলি, বৰপাত্ৰ আলি, শ'লগুৰি আলি, টাৰিমূৰা আলি, মেটেকা আলি, ডেকা বৰবৰুৱা আলি, হলৌফুকন আলি, ৰমনী আলি, নাহৰ আলি, শেনচোৱা আলি, খাৰঘৰীয়া ডবা আলি, নামতি আলি, মাহমৰা আলি, ন-আলি, ম'হবন্ধা আলি, কমাৰবন্ধা আলি, বৰগোহাঁই আলি, ভাদৈ আলি, তেজপুৰৰ টেটোন তামুলীৰ আলি, গুৱাহাটীৰ ব'ৰাগী আলি, ইত্যাদি অসংখ্য আলি-পদূলি নিৰ্মাণ কৰা হৈছিল। ইয়াৰে বহুতো আলি-পদূলি মেৰামতিৰ অভাৱত বা বানপানী, খহনীয়া আদিৰ কবলত পৰি নিঃচিহ্ন হৈ গ'ল।

### শিলা-সাঁকো ঃ

নৈ, জান-জুৰি আদিত নিৰ্মাণ কৰা শিলা-সাঁকোসমূহ আহোম যুগৰ উন্নত স্থাপত্য কলাৰ নিদৰ্শন। প্ৰায় ষোড়শ শতিকা মানৰ পৰা আহোম ৰজাসকলে শিলা-সাঁকো নিৰ্মাণৰ কাম আৰম্ভ কৰিছিল বুলি কোৱা হয়। যাতায়াতৰ পথত পৰা নৈ

Daily Assam



বা জান-জুৰিৰ ওপৰত ইটা, লঠিয়া শিল, চটীয়া শিল, গোটা শিল আদিক 'কৰাল্' ব্যৱহাৰ কৰি ইটা-শিল আদি গাঁথি এই শিলা-সাঁকোবোৰ নির্মাণ কৰা হৈছিল। বুৰঞ্জীবিদ দিলীপ কুমাৰ বুঢ়াগোহাঞিৰ মতে আহোম যুগত নির্মাণ কৰা শিলা-সাঁকোবোৰ গোটা শিলত খাপ কাটি থিয়কৈ গাঁথি তাত চটীয়া শিলেৰে নির্মাণ কৰিছিল। চটীয়া শিলবোৰত শলখা ভৰাই গাঁথনিটো কটকটীয়া কৰি তাক অতি উন্নত মানৰ কৰালেৰে বন্ধা হৈছিল। আহোম যুগৰ কাৰিকৰ-শিলাকুটীয়াসকলে এখন শিলা-সাঁকো একে ৰাতিৰ ভিতৰতে নির্মাণ কৰিছিল বুলিও প্ৰবাদ আছে (বুৰঞ্জীৰ পৰশ, পৃষ্ঠা-১৫১)।

### নামদাঙৰ শিলৰ সাঁকো ঃ

নামদাং নৈখনৰ ওপৰত স্বৰ্গদেউ ৰুদ্ৰসিংহই (খ্ৰীঃ ১৬৯৬-১৭১৪) ১৭০৩ খ্ৰীঃত শিলৰ সাঁকো নির্মাণ কৰোৱায়। এই বিখ্যাত শিলৰ সাঁকোখন এতিয়ালৈকে অক্ষত আৰু কাৰ্য্যক্ষম হৈ আছে। এটা



নামদাঙৰ শিলৰ সাঁকো

বৃহৎ শিলৰ মাজেৰে সুৰংগ উলিয়াই এই সাঁকো নির্মাণ কৰা হৈছিল বুলি কোৱা হয়। এই সাঁকো দীঘে ২০২ ফুট, বহলে ২১.৫ ফুট আৰু ৫.৫ ফুট ডাঠ।

### দৰিকা শিলা-সাঁকো ঃ

বৰ্তমান গড়গাঁৱৰ পৰা পূবলৈ দৰিকা নৈৰ ওপৰত স্বৰ্গদেউ প্ৰতাপ সিংহই (খ্ৰীঃ ১৬০৩-১৬৪১) নির্মাণ কৰোৱা শিলা-সাঁকোখনেই হ'ল দৰিকা শিলা-সাঁকো। এই সাঁকোৰ গাত এসময়ত বিভিন্ন কাৰুকাৰ্য্য খোদিত আছিল বুলি জনা যায়।

### দিঁজেখনা শিলা-সাঁকো ঃ

দৰিকা শিলা-সাঁকোৰ কিছু পূবলৈ ৰহদৈ আলিত দিঁজেখনা নৈৰ ওপৰত স্বৰ্গদেউ গদাধৰ সিংহই (খ্ৰীঃ ১৬৮১-১৬৯৬) এই শিলা-সাঁকো নির্মাণ কৰাইছিল। নৈখনৰ নাম অনুসৰি এই শিলা-সাঁকোৰ নাম দিঁজেখনা শিলা-সাঁকো।

### নাফুকৰ শিলা-সাঁকো ঃ

স্বৰ্গদেউ শিৱসিংহৰ ৰাণী বৰৰজা ফুলেশ্বৰী কুঁৱৰীয়ে ১৭২৩ খ্ৰীঃত নাফুকৰ শিলৰ সাঁকো নির্মাণ কৰাইছিল।

এইবোৰৰ উপৰিও ৰহদৈ শিলা-সাঁকো, হাঁহচৰাত হাঁহচৰা শিলা-সাঁকো, ডিমৌৰ শিলা-সাঁকো আদি অনেক শিলা-সাঁকো আহোম যুগত নির্মিত হৈছিল। ইয়াৰে বহুসংখ্যক কালৰ সোঁতত হেৰাই গ'ল।

### গড় ঃ

গড় (Rampart) নির্মাণ কৌশলতো প্ৰাচীন কালৰে পৰা অসম আগবঢ়া আছিল। নিৰাপত্তাৰ বাবে ৰজাসকলে ৰাজধানীৰ চৌকাষে নির্মাণ কৰি লৈছিল

সু-উচ্চ, দুৰ্ভেদ্য গড়। আগ্ৰাসী শত্ৰুক ভেঁটিবৰ বাবে বিভিন্ন সামৰিক দিশৰ পৰা গুৰুত্বপূৰ্ণ অঞ্চলত প্ৰধানকৈ মাটিৰে এই গড়বোৰ নিৰ্মাণ কৰা হৈছিল।

আহোমসকলৰ গড় নিৰ্মাণ কৌশল আছিল অতি উচ্চ মানৰ। স্বৰ্গদেউ কমলেশ্বৰ সিংহৰ (খ্ৰীঃ ১৭৯৫-১৮১১) পৃষ্ঠপোষকতাত বাগীশ নামৰ পণ্ডিতে ৰচনা কৰা গ্ৰন্থ 'নীতি লতাংকুৰ'ত গড়, কোঁঠ আদি নিৰ্মাণৰ কৌশল বৰ্ণনা কৰা আছে। সৰ্বানন্দ ৰাজকুমাৰৰ 'ইতিহাসে সোঁৱৰা ছশটা বছৰ' গ্ৰন্থত আছে, "আহোমসকলে গড় আৰু কোঁঠ মাৰি যুদ্ধ কৰিছিল। তেওঁলোকে নগৰৰ চাৰিওফালে খাৱৈ খান্দি গড় মাৰিছিল। নগৰৰ চাৰিওফালে মৰা গড়ৰ ওপৰত ডাঠকৈ কোটোহা বাঁহ ৰুই দিছিল, যাতে শত্ৰুৱে গড় বগাই উঠিলেও সতকাই কাঁইটীয়া কোটোহা বাঁহ অতিক্ৰম কৰিব নোৱাৰে। বৰকলা, গড়গাঁও, ৰংপুৰ আদি নগৰৰ চাৰিওফালে এনেধৰণৰ গড় আছে। আহোম ৰাজত্বকালত যুদ্ধ কৰিবলৈ মৰা গড়বিলাকৰ ভগ্নাংশ আজিও অনেক ঠাইত দেখিবলৈ পোৱা যায়। প্ৰায়বোৰ গড় মাটিৰে মাৰিছিল। কিন্তু কোনো কোনো গড়ত মাটিৰ লগতে মাজে মাজে ইটাও দিছিল। গুৱাহাটীৰ শৰণীয়া পৰ্বতৰ পুৰে থকা গড়টোত যথেষ্ট ইটা পোৱা যায়। গড়বিলাক যথেষ্ট ওখ, বহল আৰু তাৰ ওপৰখন আলিৰ দৰে সমান। আজিকালি ঠায়ে ঠায়ে কিছুমান গড় আলিৰূপে ব্যৱহাৰ হৈছে।" (পৃষ্ঠা ২৫২)। 'পাদচাহ নামা', 'বাহাৰিস্তান-ই-ঘায়বি' আদি গ্ৰন্থতো আহোম যুগৰ গড় নিৰ্মাণ কৌশলৰ প্ৰশংসা পোৱা যায়।

চামধৰা গড়, চোৰাতল গড়, ৰাঙলী গড়, শিমলুগড়, চিন্তামণি গড়, কটাৰিখামৰ গড়, ৰাজগড়, কোটোহা গড়, মেৰাগড়, নিমনা গড়, মাছখোৱা গড়, হাতীগড়, বিবুদ্ধি গড়, মোমাই কটা গড়কে ধৰি আহোম যুগৰ অনেক গড়ৰ নাম বুৰঞ্জী পুথিসমূহত পোৱা যায়। এই গড়বোৰৰ ভগ্নাৱশেষ স্পষ্টৰূপত অদ্যপৰিমিত বৰ্তি আছে। বহুতো গড় আলি-পদূলিলৈ ৰূপান্তৰ কৰা হৈছে।

ইয়াৰ উপৰি অসমৰ চুকে-কোণে বহুতো ঐতিহাসিক ক্ষেত্ৰ, সম্পদ সিঁচৰতি হৈ আছে। ছাত্ৰ-ছাত্ৰীসকলে ক্ষেত্ৰ অধ্যয়নৰ যোগেদি এইসমূহ নতুনকৈ উদঘাটন কৰিব বুলি আশা কৰিলোঁ।

Daily Assam

## জানিবলগীয়া তথ্য

- কামাখ্যা মন্দিৰেই হ'ল অসমৰ সবাতোকৈ প্ৰাচীন শক্তিপীঠ।
- হাজোৰ হয়গ্ৰীৱ-মাধৱ দেৱালয় হিন্দু আৰু বৌদ্ধ উভয় ধৰ্মাৱলম্বীৰ বাবে পৱিত্ৰ তীৰ্থস্থান।
- শিৱসাগৰ পুখুৰীৰ পাৰৰ শিৱদ'লটোৱেই আহোম যুগৰ সৰ্ববৃহৎ দ'ল।
- আহোম যুগত শিল, ইটা আদি গাঁথিবৰ বাবে হাঁহকণী, বৰালিমাছ, মাটিমাহ, বৰাচাউল, গুৰ, চূণ, শন, শিলচূণ, ধূনা, মিঠাতেল আদিৰ মিশ্ৰণ কৰি থলুৱা কৌশলেৰে 'কৰাল্' নামৰ চিমেণ্টৰ দৰে এবিধ সামগ্ৰী তৈয়াৰ কৰা হৈছিল।
- আহোম যুগৰ দ'ল বা মন্দিৰবোৰ সাধাৰণতে ইটাৰে নিৰ্মাণ কৰা। মাজে মাজে শিলো ব্যৱহাৰ কৰিছিল। নানা দেৱ-দেৱী, জীৱ-জন্তু, লতা-ফুলৰ ছবি শিলৰ আৰু পোৰা মাটি বা টেৰাক'টাৰ চেপেটা টুকুৰাত কাটি ইয়াত খাঁজি দিয়া হৈছিল।
- আহোম যুগত সকলো মানুহৰ ঘৰেই বাঁহ-কাঠ আৰু খেৰ, ইকৰা আদিৰে সজা হৈছিল। ৰজাৰ বাহিৰে আনে ইটাৰে ঘৰ সাজিব নোৱাৰিছিল। তদুপৰি দুটা টুপ থকা ঘৰ কেৱল ৰজাইহে সাজিব পাৰিছিল। ডা-ডাঙৰীয়া বা উচ্চ বিষয়াসকলে এটুপীয়া ঘৰহে সাজিব পাৰিছিল। সাধাৰণ মানুহৰ ঘৰবোৰ জুপুৰিৰ দৰে আছিল। আহোম ৰজাই দুটুপীয়া ঘৰৰ আৰ্হি বৰাহীসকলৰ পৰা লৈছিল।
- নামদাঙৰ শিলৰ সাঁকো ২০২ ফুট দীঘল, ২১.৫ ফুট বহল আৰু ৫.৫ ফুট ডাঠ। এই সাঁকো আজি পৰ্যন্ত বিশেষ মেৰামতিৰ আৱশ্যক হোৱা নাই।
- আহোম যুগৰ সকলো ইটাৰে নিৰ্মিত স্থাপত্য তুংখুঙীয়া ফৈদৰ স্বৰ্গদেউসকলৰ ৰাজত্বকালৰহে আছিল বুলি জনা যায়।
- আহোম যুগৰ ইটাবোৰ এফলীয়া, তিনিকোণীয়া, চাৰিকোণীয়া, ঘূৰণীয়া, কৰ্দৈসিৰীয়া, বিন্ধা থকা আদি বিভিন্ন ধৰণৰ আছিল।
- তলাতল ঘৰটো আহোম যুগৰ স্থাপত্যকলাৰ সবাতোকৈ শ্ৰেষ্ঠ নিদৰ্শন বুলি কোৱা হয়।
- আহোম যুগৰ মঠ-মন্দিৰসমূহ প্ৰধানতঃ উত্তৰ ভাৰতত প্ৰচলিত নাগৰ শৈলীৰ। অৱশ্যে স্থানীয় শৈলীৰ প্ৰভাৱো চকুত পৰা।

Daily Assam

## অনুশীলনী

১। তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়া।

ক) কামাখ্যা মন্দিৰ গুৱাহাটীৰ কোনটো পাহাৰত অৱস্থিত?

খ) ব্ৰিটিছসকলে অসমৰ কোনটো দ্বীপক 'ময়ূৰ দ্বীপ' বুলিছিল?

গ) বশিষ্ঠ মন্দিৰ নিৰ্মাণ কৰোৱা আহোম স্বৰ্গদেউজনৰ নাম কি?

ঘ) দ-পৰ্বতীয়া মন্দিৰৰ সবাতোকৈ বিখ্যাত শিল্পকৰ্ম কোনটো?

ঙ) সন্ধ্যা ললিতা, কান্তা নামৰ তিনি জলধাৰাৰ সংগম অসমৰ ক'ত দেখা যায়?

চ) হয়গ্ৰীৱ-মাধৱ মন্দিৰ থকা পাহাৰটোৰ নাম কি?

ছ) হাজোৰ কোনটো পাহাৰত পোৱামক্কা অৱস্থিত?

জ) অসমৰ সৰ্ববৃহৎ মানৱসৃষ্ট পুখুৰী কোনটো?

ঝ) কোনজন আহোম স্বৰ্গদেৱে 'ধোদৰ আলি' নিৰ্মাণ কৰাইছিল?

২। চমুটোকা লিখা

ক) অম্বুবাচী উৎসৱ

খ) শ্ৰীসূৰ্য পাহাৰ

গ) পোৱামক্কা

ঘ) আজানপীৰ দৰগাহ

ঙ) মালিনী থান

চ) মৈদাম

Daily Assam

৩। বস্তুগত ঐতিহ্য বুলিলে কি বুজা? প্ৰাচীন অসমৰ স্থাপত্য-ভাস্কৰ্যসমূহৰ বিষয়ে এটি চমু টোকা লিখা।

৪। আহোম যুগৰ স্থাপত্য-ভাস্কৰ্যৰ বিষয়ে এটি আলোচনা কৰা।

৫। আহোম যুগৰ পুখুৰী শিল্পৰ বিষয়ে কি জানা লিখা।

৬। মধ্যযুগৰ অসমৰ আলি-পদূলিসমূহৰ বিষয়ে এটি টোকা লিখা।

৭। আহোম যুগৰ গড় আৰু শিলা-সাঁকোসমূহৰ বিষয়ে কি জানা লিখা।

●●●